
বিদেশী-যোজনা

বা

পটন্তৰ মালা

ডাক্তৰ মহানন্দ বৰুৱা সাহিত্যভূষণ

প্ৰণীত।



প্ৰথম তাঙৰণ।

১৯১৪ চন।

ডিব্ৰুগড়ৰ ভট্টাচাৰ্য্য এজেন্সীৰ দ্বাৰা

প্ৰকাশিত—

বেচ পাঁচ মহা ১০ মাথোন।

পাতনি ।

যোজনা বা পটন্তৰ বা ফকৰাৰ নতুনকৈ চিনাকি দিবৰ সকাম নাই। তথাপি এই সম্পৰ্কে দু-আষাৰ লিখিবলৈ ওলালোঁ। Nelson's Encyclopadia নামৰ গ্ৰন্থত আছে:—"The great definition of a proverb is perhaps that given by Creventes—viz. "Short sentences founded on long experience. Every true proverb is pithily expressed is based upon the experiences of mankind but it must also meet with popular acceptance and be of wide spread application. We do not always, of course strictly observe this distinction in common speech. The great bulk of the better known proverbs cannot be claimed as the property of any one nation They are found in the mouthes of all races. Differences in expressed there may be, but the root idea remains the same" বাস্তৱিকতে যোজনাবোৰ নীতিপুৰ্ণ অভিজ্ঞতাৰ বাণী।

কিতাপখনৰ অন্তৰ্ভুক্ত যোজনাবোৰ ইতিপূৰ্ব্বে 'বাঁহী' "আৱাহন" "সাহিত্য সভা পত্ৰিকা" আদিত ওলাই গৈছে

বন্ধুবৰ শ্ৰীহৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যই প্ৰকাশকৰ ভাৰলৈ মোক উদগণি দিয়াৰ বাবে তেওঁৰ ওচৰত চিৰকৃতজ্ঞ থাকিলোঁ।।

মোৰ জ্যেষ্ঠা কন্যা শ্ৰীমতী অৰুণাই প্ৰেছ কপিটো যুগুত কৰি দিছে। সেইবাবে তাইকো মোৰ ধন্যবাদ জনালোঁ।।

সামৰণিত জনাওঁ যে আহি ৰাকত চাওঁতে যথাসাধ্য যত্ন লোৱাতো দুই-চাৰিটা ছপাৰ ভুল বৈ গ'ল। তাৰ বাবে পাঠক-পাঠিকাসকলৰ ওচৰত ক্ষমা মাগিলো। ইতি—

ন-পাৰা, নামৰূপ আলি,
টিংখাং
৫ অক্টোবৰ, ১৯৫৩ চন।

শ্ৰীমহানন্দ বৰুৱা।

—সূচী-পত্র—



—অৰ্পণ—

ধৰ্ম্মনীতি-পৰায়ণ, সৰ্ব্বজনপ্ৰিয়

অমায়িক পুৰুষ

৺ গুণাভিৰাম ডুবৰা

শহুৰ দেউতাৰ

শ্ৰীপাদ পদ্মত

ভক্তিপূৰ্ণ কৰপুটে

অৰ্পণ কৰিলোঁ।।



বিদেশী যোজনা

বা

পটন্তৰমালা



জাপানী যোজনা

দুৱাৰত টাংকৈ সচাৰ-কাঠী থাকিলেও বিদেশে সোমাবলৈ বাট পায়।

*　　　　*

আঁঠজন মানুহ থকা গাওঁ এখনতো সাধাৰণতঃ দেশহিতৈষী এজন পোৱা যায়।

দোহোৰাই কথা ক'লে দন্দ লাগে।

*　　　　*

বগা মানুহৰো সকলো ৰং একেদৰে।

*　　　　*

যুঁজ অন্ত হোৱাৰ পাচত লাখুটি কাটিলে লাভ নাই।

*　　　　*

প্ৰতিধ্বনিয়ে মাতৰ উত্তৰ দিয়ে।

*　　　　*

পুণ্যৱন্ত মানুহে সৰহ ধন আৰ্জ্জিব নোৱাৰে।

*　　　　*

দুটা শহাপহু মাৰোঁতাই এটা এৰি থৈ আনটোও হেৰুৱায়

*　　　　*

এটা খেঁটালীত ডুকৰা জুই থাকিলে ঢুই কৰাই ধোঁৱাব।

*　　　　*

যি মানুহে অদৰকাৰী বস্তু কিনে সি দৰকাৰী বস্তুকো বেচি পেলায়।

*　　　　*

ঘোদৰ বাৰ্হা-প্ৰণালী [illegible] দৰে।

*　　　　*

যাৰ [illegible] দূৰ।

*　　　　*

বলা [illegible] কথা।

সম্বমা [illegible] যাৰা চমু ৰট চিনা [illegible]

*　　　　*

যি বুদ্ধিক [illegible] এজনক মাথোন প্ৰাৰ্থনা কৰিবা।

*　　　　*

শাপ, মিঠামুখীয়া মানুহ আৰু ভিক্ষাবিনা ভিখোত্ৰা, এই তিনটি পৰিহাৰ কৰিবা।

কোনো মানুহে সোণ চুৰ কৰিলে সি ফাটেক খাটে, কিন্তু মাটি চুৰ কৰিলে তাক ৰজা পতা হয়।

বেয়া কুমাৰৰ চাকৰ্ণৰ নিজৰ পাত্ৰ কেতিয়াও ওলোৱা নাই।

*

সস্তাত বস্তু কিনিলে ধন হুকওৱা হয়।

*

মই বা চলাইৰ [illegible] লোৱা দেখি চৰাইবোৰে একেস্বৰে কৈ উঠিল, [illegible] চোৰ চোৰ! থাক মাত-চোৰেই বা কেনে?

*

অহা বছৰত কি কম কৰিবা বছৰৰ আৰম্ভতে থিৰ কৰিবা; প্ৰথম দিনাৰপৰাই [illegible]।

মিছা কথা [illegible], [illegible] ডাকা আছে।

ধানৰ সজ [illegible] বল-মাটিত আমোদ-জনক।

* *

তোমাৰ ফালৰ সাহেবটো লৰা-ছোৱালীৰ মাক হোৱা তিৰোতাকো কেতিয়াও বিশ্বাস নকৰিবা।

কোনো কাম নকৰিলে বেয়া কাম কৰা হয় মাথোন।

* *

শিলডোখৰে কুকুৰক আঘাত কৰিব পাৰে ; কিন্তু দলি মাৰি পঠিওৱা হাতখনৰ সমানে নহয়।

* *

ভাল পোৱাই খেতিয়ক আৰু মিকাডোৰ ভিতৰত পাৰ্থক্য কি তাক সুবুজে।

* *

সম্ভোগতকৈ আশাত বেচি আনন্দ।

* *

বাটৰ কাষত থকা ফলৰ ভৰত দোঁ খোৱা আম, বাট গছ-জোপা তিতা হোৱাৰে কথা।

* *

কৰাই-ভায়ে ঘৰৰ ভিতৰত চোৰৰ দৰে দন্দ কৰে, কিন্তু বাহিৰত ইটোৱে সিটোক ৰক্ষা কৰিবলৈ ওবোৱাল দাঙি যাব।

* *

ভাত নোহোৱাকৈ খোৱা এবেলাৰ আহাৰে এসপ্তাহলৈ ঘৰুৱা সুখ ধ্বংস কৰে।

* *

নৰকৰ ৰজায়ো শকত ধনৰ মোনাৰ আগত আঁঠু কাঢ়ে।

* *

হাতৰ বিদ্যা জনা কামিলা মানুহে জীৱিকা বিচাৰি ভালেমান দুৰলৈ যাব নালাগে।

*　　　*

নিচেই সৰু বিস্কাইদিও দিনৰ পোহৰে ভুমুকিয়ায়।

*　　　*

শেনৰ কাষেদি উৰি যোৱা ঘৰচিৰিকাই শেন পলাইছে বুলি ভাবে।

*　　　*

উকথা ঘৰৰ চালতহে আটাইতকৈ ডাঙৰ বৰষুণ পৰে।

*　　　*

য'ত লাভ আছে ত'ত ওচৰতে লোকচানো লুকাই আছে।

*　　　*

বাটৰ কুকুৰৰো সৌভাগ্যৰ দিন আছে।

*　　　*

নৈত উপজিলে নৈতে মৰে।

*　　　*

খালি পেটৰে সৈতে সুখে কাচিৎহে সঙ্গ কৰে (অৰ্থাৎ বাহি নাহে)।

*　　　*

বাটৰ কুকুৰেও আন ছাৰি দুখীয়া মানুহৰ ঘৰ চিনে।

*　　　*

ডাঙৰ মানুহ হ'লে তেওঁৰ কুকুৰেও অভিমানৰ ৰূপ ধৰে।

* *

তেজে যেনেকৈ মাখিক আকৰ্ষণ কৰে ভেৰোণীয়া মানুহৰ চকু৩ ধনে তেনেকৈ আকৰ্ষণ কৰে।

* *

কিছুদিন ভাত নোখোৱাকৈ চলিবা, তথাপি ধাৰত বেচি দিন পোত খাই নাথাকিবা।

* *

যাৰ নাটনি নাই তাৰ অন্যায় কাচিৎহে হয়।

* *

ঘোঁৰাত উঠি যোৱা মানুহে খোজ কাঢ়ি যোৱা মানুহৰ দুখ সমূলি নুবুজে।

* *

যিবোৰ মানুহে কপালক দুষি থাকি অসন্তোষ কৰে সিহঁতে আনকি বেলিকো পক্ষপাতিত্বৰ দোষত দোষী কৰে।

* *

অনুতাপ নকৰা মানুহক ক্ষমা কৰা যেনে, পানীত ছবি আঁকাও তেনে।

* *

সোণৰ গুটি থকা কোনো গছ নাই।

* *

অধলা বেজক মাতি অনাতকৈ দৰব নোখোৱাই খবং ভাল

মুখ বিচাৰি হাবথুৰি খোৱা তাক বতাহ খেদি ঘুৰা বা তাঁৰ অনুসৰণ কৰা একে কথা।

*

মিঠা মুখ নথকা মানুহে দোকান খোলা অযুগুত।

ভিকহু হ'লে মানুহে নিজক পৰিবোকালো দিয়ায়। ধনী ও কাৰোবাৰ। হ'লে দুই দশৰ মানুহে পৰিচয় প্ৰকাশ কৰে।

তেল টুকালে বন্ধু নুনায়

কোনো মানুহক দিনত জ্ঞান কথা নকবিবা দিয়া যাতে ৰাতি হলে নিজৰ চাকি-দি টাং সি শাপৰে শুন পাব।

পৰিমাণ চলে হাতৈৰ ৰাজ্য শাসন কৰা উজু।

জ্ঞানীলোকে মূৰ্খৰ কথাৰ প্ৰতিবাদ নকৰে।

*

বেজাৰ খহৰ টাইব চলে— খজুবালে ৰবাৰ পিনে ঢল লয়।

সোণৰ মোহিনী শক্তিয়ে মূৰ্খক জ্ঞানী কৰে।

*

প্ৰেমত পৰা মানুহৰ সুখৰ পৰালি পৰে।

*

খহটা (পালিছ নকৰা) মুকুতা কেতিয়াও নিজিলিকে।

*   *

ফুলৰ লোভ সামৰিব নোৱাৰি পখিলা মকৰা-জালত পৰে।

*   *

পকৰাৰ মানত কেই টোপোলমান বৰষুণেই বানপানীৰ নিচিনা।

*   *

লোকৰ পথাৰত হে ভাল শইচ হয়।

*   *

এঘন্টাৰ আচৰণৰ দ্বাৰা এগৰাকীৰ বছৰীয়া সুখ্যাতি স্থিৰ কৰিব পাৰি।

*   *

চকুলো টুকিলেই ধাৰ শোধ নহয়।

*   *

দন্দুৰা মানুহে ওচৰ-ওচৰিকৈ বাস কৰে।

*   *

পেলোৱা পানী ঘূৰি গোটাব নোৱাৰি।

*   *

বলদ গৰুৰ নেজ হোৱাতকৈ কুকুৰাৰ ঠোঁট হোৱা ভাল।

*   *

এণ্ডাৰ ধুলেও বগা নহয়।

*   *

একেটা খাপতে দুখন তৰোৱাল থ'ব নোৱাৰি।

*   *

যি ভালকৈ কথা ক'ব পাৰে সি ভালকৈ মিছা মাতিবও পাৰে।

*   *

ক্ষুধাতুৰৰ মুখত যেই সেই বস্তু ভাল লাগে।

*   *

চোৰ গ'লে দেৱালত কোবোৱা মূৰ্খালি মাথোন।

*   *

এবাৰ যাক সাপে খাইছে সি প্ৰতিডোখৰ লেজুলৈকে ভয় কৰে।

*   *

ধনী আৰু প্ৰতাপী মানুহক ঠগিবা, কিন্তু অপমান নকৰিবা।

*   *

ভাল-বেয়া বন্ধুৰ সঙ্গ অনুসৰি মানুহৰ চৰিত্ৰ গঠন হয়।

*   *

দুটা মানুহৰ ভিতৰত দন্দ লাগিলে সিহঁতৰ কুকুৰবো মতবৈধ হবই।

*   *

সোণ আৰু চাউল কেতিয়া মৰগ হয় আনকি মিকাডোৰ ঘৰৰ ঘৰোৱাহে জানে।

*   *

মানৱজীৱন পিঠিত গধুৰ বোজাই কৰা দীঘলীয়া ভ্ৰমণৰ নিচিনা।

*   *

বাঘৰ প্ৰতি তাৰ গাৰ ছাল যেনে বহুমূলীয়া মানুহৰ সজ নামো তেনে বহুমূলীয়া।

*   *

পানী নহ'লে কোনেও জাহাজ চলাব নোৱাৰে।

*

প্ৰথম পিয়লা মদ মানুহে পিয়ে, দ্বিতীয় পিয়লা মদ মদে পিয়ে আৰু তৃতীয় পিয়লা মদে মানুহক পিয়ে।

এন্দুৰ এটা আলি পাৰ হ'লে আটায়ে "মাৰ-ধৰ" কৰে।

*   *

নিজক চিকুটিলেই আনে কেনে অনুভৱ কৰে বুজিব পাৰিবা।

*   *

অধিক সৌজন্য অসৌজন্যত পৰিণত হয়।

*   *

সৰা ফুল ঠাললৈ উভতি নাযায়।

*   *

প্ৰতাপী সেনাপতিৰ তলত নিশকতীয়া সৈন্য নাথাকে।

*   *

এটা দাঁত বিষালে গোটেইখন মুখৰ সুখ-শান্তি নোহোৱা হয়।

'চাকী' সুৰা পিওঁতে তোমাৰ পাৰিবাৰিক দীনতা সুঁৱৰিবা।

*　　　*

এজন মানুহে তোমাৰ শলাগ ল'লে হাজাৰ জনেও ল'ব।

*　　　*

এহাজাৰ মাইল দীঘল বাটি এখোজত আৰম্ভ হয়।

*　　　*

চেৰেলা কুকুৰে গিৰিহঁতক লাজ দিয়ে।

*　　　*

কলিজাৰো আনকি সীমা আছে।

*　　　*

প্ৰেম-ব্যাধিৰ আৰু মূৰ্খতাৰ কাৰণে কোনো দৰব নাই।

*　　　*

'কাপ্তান' (অধ্যক্ষ) সৰহ হ'লে জাহাজ পৰ্বতৰ গাত লাগেগৈ।

*　　　*

বুদ্ধৰ বন্তি জ্বলালে সকলো আসক্তি ধ্বংস কৰিবা।

*　　　*

বাঁহী তিৰোতাৰ ঘৰত নোদোকা নিগনি নাথাকে।

*　　　*

জ্ঞানীলোকৰ হৃদয় গুপ্ত কথাৰ সমাধি-স্তূপ।

*　　　*

তিৰোতাৰ জিভা কেতিয়াও মামৰে নধৰা তৰোৱালৰ নিচিনা।

সাতবাৰ পৰি অষ্টম বাৰত থিয় হ'বা ।

* *

নিজে গৈ ভাগত পৰা চৰাই, চৰাই-মৰীয়াৰ পক্ষে ভাল চিকাৰ ।

* *

গাধৰ পিঠিত দিয়া কিতাপৰ বোজা যেনে, জ্ঞানহীন বিদ্যাও তেনে ।

* *

জনম্ লোৱাতকৈ জনম দিয়া ভাল ।

* *

তোমাক পানী যোগোৱা অৰ্থাৎ তুমি পানী খোৱা নাদত ময়লা নেপেলাবা ।

* *

বিচনীৰে কুঁৰলী আঁতৰাব নোৱাৰি ।

* *

শেন আৰু বাটৰ কুকুৰেৰো বন্ধুবৰ্গ আছে ।

* *

লিখি দিয়া এটা কথাই এহাজাৰতোলাৰ সোণৰ দৰে ।

* *

এটা সজ কথাই জাৰকালিৰ তিনিমাহ গৰমে ৰাখিব পাৰে ।

* *

উভৈনদী হ'লে নাটনিৰ কথা ভাবিবা ; নাটনি হ'লে উভৈ-নদী হোৱা যেন নেদেখুৱাবা ।

* *

মাজ্জলৈ এটলীয়া হৈ যোৱা মাটি কিনিবা, ভাল মাক থকা ছোৱালী বিয়া কৰাবা।

*   .   *

কুকুৰ হ'ব খুজিলে 'চামুৰাই'ৰ (Samurai) কুকুৰ হোৱা ভাল।

*   *

মানুহে জয়ৰপৰা এ'কো নিশিকে; পৰাজয়ৰপৰাহে ভালেমান কথা শিকে।

*   *

গাৰ ঘাম শুকালে পৰিশ্ৰম পাহৰা যায়।

*   *

পেটতকৈ চকুক তুষ্ট কৰা টান।

*   *

মাছ থকিলে পানীও থাকিব লাগে।

*   *

তোমাতকৈ অধিক দূৰদৰ্শী মানুহৰ আগত ভবিষ্যদ্বাণী নকৰিবা।

*   *

ভাল ঢোলত বৰকৈ চাপৰ মাৰিবই নালাগে।

*   *

তোমাৰ মুখ শুকালেও ডকাইতৰ নাদৰ পানী নাখাবা।

*   *

কেতিয়াও সাগৰ নেদেখা ভেকুলীয়ে নাদকে বহুত দূৰ ব্যাপি থকা পানী বুলি ভাবে।

কাউৰীৰ মানত নিজৰ পোৱালিৰ পখি গাখীৰৰ নিচিনা বগা।

অনাহাৰে থকা মানুহৰ প্ৰতি এমুঠি চাউলেই ধন-সম্পত্তিৰ নিচিনা।

* *

কোনো মানুহে বৈ যোৱা নৈত খিবেৰে থাকিব পাৰে, কিন্তু মানুহ থকা জগতত নোৱাৰে।

* *

কৃতকাৰ্য্যতা সুখৰ ভিত্তিস্বৰূপ, অৰ্থাৎ কৃতকাৰ্য্যতাৰ ওপৰতে সুখ নিৰ্ভৰ কৰে।

* *

[illegible] নিজৰ [illegible] কাৰবা- কঁকুৰি নকৰে।

* *

ডাঙৰ গাচ ধৰিব [illegible] সৰু গছ দৰশীত সিৰা।

* *

ৰথাই [illegible]

চহকা মানুহৰ [illegible] অভাৱ কি তাক কেতিয়াও নুবুজে।

*

সৌভাগ্য ঘটা [illegible] তাৰ লগ ধৰি আছে।

* *

যি কেতিয়াও নিৰ্য্যাতন সহি নাথাকে, তেওঁ কেতিয়াও 'বুদ্ধ' হ'ব নোৱাৰে।

* *

তিৰোতাৰ জিভা তিনি ইঞ্চি দীঘল মাথোন, কিন্তু সি ছফুট ওখ মানুহ এটা মাৰি পেলাব পাৰে।

*   *

ক্ষুদ্ৰ নৈতিকতা শিলগুটিয়েও নিজক গুপ্তভাৱে বহুমূলীয়া শিল বুলি ভাবে।

*   *

সহায়ৰ দৰকাৰ হলে ভূতক সহায় নুখুজিবা।

*   *

অতি সাংঘাতিক বিষয়ে সাপকো পকৰা এদলে জয় কৰিব পাৰে।

*   *

এটি সৎ কাম পবিত্ৰ তীৰ্থত কৰা তিনদিনীয়া উপবাসতকৈও ভাল।

*   *

প্ৰশংসা নিন্দাৰ বৰ আৰম্ভণ মাথোন।

*   *

ধাৰলৈ অনা মেকুৰীয়ে নিগনি ধৰিব নোৱাৰে।

*   *

কুকুৰ-পোৱালি মাৰিব লাগেনে নালাগে আলহীক কেতিয়াও নুসুধিবা।

*   *

আৰম্ভণ থাকিলে তাৰ অন্তও থাকে।

*   *

খঙে খেদোৱা বস্তু হাঁহিৰে ওলোটাব নোৱাৰে।

বাঁহৰ চুঙাত সাপ সুমালেও তাৰ মেৰপাক খোৱা দস্তুৰ গুচাব নোৱাৰি।

*   *

সকলোতে ঈশ্বৰ আছে, আৰু কি নৰকতো আছে।

*   *

পৰিয়ালে পৰিয়ালে দন্দ লাগিলে বাহিৰা মানুহে ইতিকিং কৰে।

*   *

এদিনত এশ কামৰ কথা কোৱাতকৈ এটা কাম ভালকৈ কৰি পেলোৱা ভাল।

*

দুখীয়াই দুখীয়াক ভিক্ষা দিয়ে।

*

থৰকৈ শিকিলে সোনকালে পাহৰে মানুহ।

*

বহুতে লোকক পা[illegible]

*

ভাত খোৱা বেলা [illegible]

*

সাপ মাৰিবলগীয়া হ'লে একেবাৰেই মাৰি পেলাবা।

*   *

মেকুৰীক সোণৰ মুদ্ৰা দিলে কোনো লাভ নাই।

*   *

ভেকুলীয়ে নাদত টোৰ টোৰালে লগৰীয়াবোৰৰ কাণত সেয়ে গান যেন লাগে।

*　　　　*

হাতত পোৱা এজন বন্ধু দূৰৰ বহুত মিত্ৰ-কুটুমতকৈ ভাল।

*　　　　*

চকু কাঢ়িবলৈ গছৰ এডাল ঠেঙুলিয়েই যথেষ্ট।

*　　　　*

কেঁকোৰাই খন্দা গাঁতে কেঁকোৰাটোৰ আকাৰ লয়।

*　　　　*

মানুহৰ দাঁতে কেতিয়াবা নিজৰ জিভা কামোৰে।

*

তিনে কা অন্ধ বন্দুৰা চলাবলৈ টান।

*　　　　*

মৰ ... ক'ৰে পুতিব পাৰি।

তৰোৱাল গঢ়া জখলা কামাৰেও কেতিয়াবা ভাল তৰোৱাল গঢ়ে।

*　　　　*

যি জিভাৰ ব্যৱহাৰ কৰিব জানে (কথা ক'ব জানে) সি যেই সেই বাট উলিয়াই ল'ব পাৰে।

*　　　　*

ৰবৰ পৰি থাকোঁতে যি কয়না বিলাই দিয়ে তেওঁ হয় সদাশয় মানুহ, নহয় মূৰ্খ।

* *

যি নিজৰ কেঁচুৱা ল'ৰা-ছোৱালীৰ খবৰ নেহেকয়ায়, তেৱেঁই ডাঙৰ মানুহ।

* *

ৰতাহত উৰি ফুৰা চৰাযে পানীলৈ ভয় নকৰে।

* *

চেঁচুকত হোৱা না১পতিও পেহতীয়াকৈ পকে।

* *

বেজী নাথাকিলে সূতাৰ কি দৰকাৰ?

* *

বিবাহিতা তিৰোতা মাত্ৰেই 'গৃহিণী' নহয়।

* *

বেজেহে স্বাস্থ্যবিধি ভঙ্গ কৰে।

* *

একালত হৈ যোৱা খুন ঘূৰি খুনত পৰিণত হয়।

* *

ময়না খোৱাক পাহৰি পৰমান্ন (পায়স) দিলেও সি মুখ বিকটায়।

* *

এবাৰ দেখিলে যিমান ভাল এশবাৰ শুনিলেও সিমান ভাল নহয়।

*   .   *

দহোটা মানুহৰ দহোটা মন।

*   *

মানুহৰ ধৈৰ্য্যৰূপী খুনপাকৰ বটাম্ডাল সচৰাচৰ খহি যোৱা গাঁঠিবে (চেঁচনিবে) বন্ধা থাকে।

*   *

ধাতু জুইবে আৰু মানুহ মদেৰে পৰীক্ষা কৰা হয়।

*   *

ধন্যবাদৰ এটি কথাই স্বৰ্গ পায়গৈ।

*   *

কোনো মানুহৰ মুখৰ চেহেৰা দেখি হৃদয়ত কি আছে ক'ব নোৱাৰি।

*   *

আহল-বহল আটাইবোৰ আলিবাট মিকাডোৰ কাষেডৈহে যায়।

*   *

খেমালিৰ চলত কৰা ক্রিয়া-কৌশলে সাংঘাতিকৰূপে খাইন কৰে।

*   *

মানুহৰ হৃদয় আৰু শৰৎকালৰ আকাশ সমানে চঞ্চল।

*   *

বেঙৰ জলাইদি সৰগ চাব পাৰি।

*   *

"কন্দনামুৱা গালত বিন্ধিবলৈ চিৰদিন মৌ-মাখি এটা আছেই।"

——:০:——

চীনা যোজনা

যি ভুকু এটা নমৰাকৈ শত্ৰুক পৰাজয় কৰে, তেওঁৱেই আটাইতকৈ [illegible]।

*

পচা [illegible] বনাব [illegible]।

*

যুক্ত ৰাজ-কাৰেং জানওমৰ [illegible] টৰলা আৰু ভঁৰালবোৰ উদং।

*

‘যি জানে (অৰ্থাৎ [illegible]) [illegible]: সি কথা কয় সি নাজানে (অৰ্থাৎ [illegible])

*

‘কথা নোকোৱাৰ [illegible], [illegible] প্ৰতিদান আছে

*

আত্ম-গৌৰৱ নকৰিব, [illegible] গৌৰৱ কাঢ়ি নিনিযে।

*

‘ যি আনক বিশ্বাস নকৰে, তেওঁক আনেও বিশ্বাস নকৰে, বুলি নিজে জানিব পাৰে।

দয়া-মমতা থকা মানুহে বিৰুদ্ধে যুঁজা যুঁজাৰুকো পৰাস্ত কৰে।

*　　　　*

আটাইতকৈ ভাল সৈন্য ৰণোন্মত্ত নহয়।

*　　　　*

আইনৰ লেখ যিমানে বাঢ়ে, চোৰো সিমানে বাঢ়িব।

*　　　　*

ডাঙৰ আলিয়েদি যোৱা উজু, কিন্তু আটায়ে সৰুসুৰা আলিহে (ডাঙৰ আলিৰ ঠালঠেঙুলি) ভাল পায়।

*　　　　*

গেলা-পচা মঙহৰ এটা মাখোন গোন্ধ আছে।

*　　　　*

বাজলৈ নোলোৱাকৈ গোটেই জগতৰ কথা জানিব পাৰি।

*　　　　*

দাগ থকা হীৰা এডোখৰ নিভাঁজ সাধাৰণ পাথৰ এডোখৰতকৈ ভাল বুলি বিবেচনা কৰা হয়।

*　　　　*

ঈশ্বৰৰ দায় লগোৱা মানুহে প্ৰাৰ্থনা কৰিবলগীয়া কাকো লগ নাপায়।

*　　　　*

সৈমান হোৱা জিভাই সহি থাকে; জাঁকোৰ্গোজা দাঁত ধ্বংস হয়।

*　　　　*

চাৰলৈ হ'লে ভাল দৃষ্টি-শক্তি থাকিব লাগে।

*   *

ধন অলপ নগ'লে সবহকৈ নাহে।

*   *

অন্যায়কৈ ঘটা ধন ভপত পানী ছটিয়াই দিয়া বৰফৰ দৰে।

*   *

দূৰৈত গৈ ধূপ জলোৱাতকৈ ঘৰৰ ওচৰত ভাল কাম কৰা শ্রেয়ঃ।

*   *

হাবিৰ ওচৰত থাকিলেও খৰি পেলনি নিনিয়াবা।

*   *

বাঘৰ ওপৰত উঠা মানুহে নামিবলৈ ভয় কৰে।

*   *

উভৈনদী হ'লে নাটনিৰ কথা ভাবিবা; নাটনিত পৰিলে উভৈনদী হোৱাৰ কথা নাভাবিবা।

*   *

কাউৰী আৰু ফেঁনিক্স চৰাই এনেকে ব্যহত নাথাকে।

*   *

দূৰৈত থকা মিত্ৰ-কুটুমতকৈ কাষত থকা ওচৰচুবুৰীয়া মানুহ ভাল।

*   *

চাকিত তেল নাথাকিলে শলাকানি নষ্ট হয় মাথোন।

জুই নুমাবলৈ যাওঁতে পাটেবে তৈয়াবী কাপোৰ-কানি পিন্ধি নাযাবা।

*   *

মানুহ যিমানে দুখীয়া হয় সিমানে সবহ ভূতৰ লগত সাক্ষাৎ হয়।

*   *

এন্দুৰেহে এন্দুৰৰ গতি-গোত্র বুজে।

*   *

বাটেদি যাওঁতে কথা পাতি গ'লে মনত ৰাখিবা যে ঘাঁহতো মানুহ থাকিব পাৰে।

*   *

মানুহৰ ভাল কামৰ বিষয়ে ঘৰতহে জনা থাকে, কিন্তু বেয়া কামবোৰৰ ভু ভালেমান দুৰতে আনে পায়।

*   *

কুমাৰীৰ গুণ অসীম; ঘৈণীৰ খং অনন্ত।

*   *

সাপ বাঁহৰ চুঙাত সোমালেও তাৰ মেৰপাক খোৱা অৱস্থা গুচাবলৈ টান।

*   *

মূর্খ কুকুৰেহে উ'ৰি যোৱা চৰাই ধৰিবলৈ খেদি যায়।

*   *

কোনো মানুহক সোণালী বড়ী খাবলৈ দিলে বেমাৰৰ ভূত ভতালিকে পলাব।

*   *

এটা ঘোঁৰা যাব মুখুজিলে এশটা ঘোঁৰা উৱাদিহ নোপোৱা হয়।

*   *

আলহীক লঘোনে থোৱাতকৈ তুচ্ছতাচ্ছিল্য কৰা বৰং ভাল।

*   *

অহকালিৰ পোকে বৰফৰ কথা ক'ব নোৱাৰে ; নাদৰ ভেকুলীয়ে স্বৰ্গৰ কথা কোৱা অযুগুত।

*   *

বেচিৰলৈ থোৱা আটাইখিনি মদ কোনেও কেতিয়াও কিনিব নোৱাৰে।

*   *

সৰ্ব্বোত্তম তীক্ষ্ণ শক্তিতকৈ অতি পাতল চিয়াঁহি ভাল।

*   *

ভাল কথা মুকুতা গোঁঠা জৰীৰ দৰে।

*   *

'কফিন' (মৰা শ কবৰ দিয়া পেৰা) তৈয়াৰ কৰি থ'লে মানুহটো নমৰে।

*   *

গছ খানিবলৈ হ'লে শিপা খানিবলৈ আৰম্ভ কৰিব লাগিব।

*   *

পৰ্ব্বত বগাব নোৱাৰিলে তৈয়াম চাব নোৱাৰে।

*   *

চোৰে মাছ খোৱা নাচাবা ; কি শাস্তি পাইছে তালৈহে চকু দিবা।

যি বলদ গৰুক পানী খুৱাবলৈ নিয়ে, সি আগেয়ে নিজৰ ভৰি তিয়াব লাগিব।

*

হীৰা-মুকুতা নঘঁহিলে নিমজ নহয়, পৰীক্ষা (trials) নহ'লে মানুহো সম্পূৰ্ণ নহয়।

*

লাহে-ধীৰে কাম কৰিলে ভাল বস্তু তৈয়াৰ হয়।

* *

চিন্তাহীন বিদ্যা শিক্ষাত পৰিশ্ৰম অপচয় যায়; বিদ্যাহীন চিন্তা ভয়ঙ্কৰী হৈ উঠে।

* *

প্ৰতিদানৰ আশাত কৰা মৰমতকৈ সমূলি মৰম নকৰা ভাল।

* *

চাৰিটা ঘোঁৰাৰ ৰথেও কৈ পেলোৱা কথা অতিক্ৰম কৰিব নোৱাৰে।

* *

আমি দেখাটোৱেই যদি সন্দেহজনক আমাৰ আঁৰত কোৱা কথা কেনেকৈ বিশ্বাস কৰিম?

* *

মানুহৰ মাজত বুৰাতকৈ সাগৰত বুৰা ভাল।

* *

মাছ মাৰিবলৈ আৰু জাল শুকুৱাবলৈ বেলেগ বেলেগ সময় আছে।

* *

খিকিবলৈ আগ্রহ থাকিলে জ্ঞানৰ জপনাত উপস্থিত হ'ব পাৰি।

* *

লবালবি কৰা মানুহে বাট-গমনেৰে বাৰ যোৱাৰে।

* *

ভৰমুৰ বেচোঁতাই নিজৰ ভৰমুৰ সোৱাদ বুলি সদায় ঘোষণা কৰে।

* *

নৈৰ মাছ নাথাকিলে সামান্য মাছতো ভাল দাম পোৱা যায়।

* *

ঠিক পাল্লা আৰু জোখ-মাখে কাৰো হানি নকৰে।

* *

এই বছৰৰ বাঁহ লেখি নাথাকিবা; বৰং অহা বছৰৰ বাঁহ-গাজহে লেখিবা।

* *

শুকান আঙুলিয়ে লোণ চেলেকিব নোৱাৰে।

* *

পুণ্য কাৰ্য্যৰ বিষয়ে কোৱাতকৈ কামত খটোৱা ভাল।

* *

এহাজাৰ টকাৰ সুদ দিয়াতকৈ নগদ আঠশ টকা লোৱা বৰং ভাল।

* *

একেবাৰে আজৰিত এদিন কটালে এদিনলৈ জানিবা অমৰ হোৱা যায়।

* *

যোঁৱা ধৰিবলৈ হ'লে যোঁৱাত উঠিবা।

* *

বাহিৰা লোকক পহৰা দিব পাৰি; পৰিয়ালত থকা বন্দীক চোৰক পহৰা দিয়া টান।

* *

বিষয়-বাব থোৱা মানুহে চৰকাৰৰ লগত দন্দ কৰা অযুগুত।

* *

ডাঙৰ পল্টনৰ নেতা কাঢ়ি আনিব পাৰি, কিন্তু দুখীয়া মানুহৰ ইচ্ছা-শক্তি কোনেও কাঢ়ি আনিব নোৱাৰে।

* *

খাবলৈ খহটা (মোটা) বস্তু, পিবলৈ পানী আৰু গাৰুৰ দৰে মূৰ থৈ শুবলৈ বেঁকা বাউসি থাকিলেও তাত সুখ বৰ্ত্তিব নোৱাৰে।

* *

আনক অপমান কৰাৰ আগেয়ে কোনো মানুহে নিজক নিজে অপমান কৰিব লাগে।

* *

সুগুণ অকলশৰীয়া হৈ থাকিব নোৱাৰে; তাৰ চৌপাশে ওচৰ-চুবুৰীয়াৰ উৎপত্তি হ'বই।

* *

কোনো মানুহে নিজৰ পৰিয়ালক যি কথা শিকাব নোৱাৰে, সেই কথা আনক শিকোৱা সম্ভৱ নহয়।

ভিতৰতে এজন বন্ধুৰ অগৰ লগাব পাৰা।

*   *

বিধাতাই কোনো মানুহকে কাপোৰ-কানি-আৰু উপাৰ্জনৰ ব্যৱস্থা নকৰাকৈ ক্ষেত্ৰিয়াও নপঠিয়ায়।

*   *

বাৰুনীয়ে নিজে নষ্ট কৰা আটাৰ ক্ষতিপূৰণ কেতিয়াও নকৰে।

*   *

মানুহৰ মাজত বন্ধুত্ব স্থাপন হ'লে পানীও সোৱাদ লাগে।

*   *

মৰি যোৱা 'বুদ্ধ'ক হ'লে তুমি সন্মান কৰা, কিন্তু জীয়াই থকা 'বুদ্ধ'ক তুমি সন্মান নকৰা।

*   *

সদাশয় (ন্যায় পথত চলা) বিচাৰক-হাকিমৰ পেখমৰ চেৰেলা ; কৰতালপালী সেই ঠাৰ পূজাৰী থকত-আৰত।

*   *

তাতৰ গুটি-সিচোঁতাই তাং আৰু উৰহী-গুটি সিচোঁতাই উৰহী পায়।

*   *

অতীত ঘটনাবোৰ দাপোণৰ দৰে পৰিষ্কাৰ, ভৱিষ্যতৰ ঘটনাবোৰ আৰ দৰে অপৰিষ্কাৰ।

*   *

জাল খোঁৱা বাঁহ বাৰটৈ লোকতে ; তাল খিৰোজা দ্বিতীয় বাৰ দিয়া নোলোৱায়।

*   *

প্ৰতি ঠাইতে যাৰ বন্ধু-বান্ধৱ আছে, তেওঁৰ প্ৰতি ঘাটাইবোৰ ঠাইতেই মধুৰ।

*   *

বাওঁ হাতে সোঁহাতক ইকৰাণে ভাপৰা একো লাভ নাই।

*

নিৰ্বিমিয়াল ভাই-ভনীতকৈ নৰমিয়াল বন্ধু-বান্ধৱেই ভাল।

*   *

বাঘ আৰু হৰিণা একে লগে শুবুৰে।

*   *

চিনা-জনা বন্ধু-বান্ধৱৰ লগত মাখোন পানাহাৰ কৰিবা আৰু কবিৰ লগত কবিতা আওৰাবা।

*   *

বজাৰত খৰখৰকৈ মস্ত বিক্ৰি হলে চালগম-বেচোঁতাই চাল-গমৰ বোকা ধুবলৈ নবয়।

*   *

দহজন তপা মানুহৰ ভিতৰত নজন ঠগ আৰু দশমজন বোবা।

*   *

বাহিৰৰ কাণে বেঁকা কৰিব পৰা কোনো কিবাকুটি নাই।

*   *

হাতৰ আঙুলিবোৰে কমুৱাবলৈ ধৰিলে মুঠা আঙুলিৰে পাচ হবে।

*   *

ভগা বিচনা কেউপিনে জোঁকাব খায়।

*　　*

পাপ-পুণ্য বাহিবা কাম মাথোন ; সুখ-দুখ হৈছে প্রতিদান।

*　　*

সৰপেহতে ভাল-বেয়াৰ পুৰস্কাৰ আছেই, ভাৱেমান দূৰ বুবিলেও আৰু ওপৰলৈ উঠা মাৰিলেও আমি তাৰ হাত সাৰিব নোৱাৰো।

*　　*

নষ্ট হোৱা কুকুৰে [illegible] আকাৰো দূৰ কৰে।

*　　*

ভগা ভাঁটাতো ভাল খাপৰি তৈয়াৰ হব পাৰে।

*　　*

টেঙৰী ছোৱালীতকৈ দুৰ্দ্দান্ত ঃ'ৰা ভাল।

*　　*

ভাল মানুহে ঘৈণীয়েকক নামাৰে; ভাল কুকুৰে কুকুৰাৰ অনিষ্ট নকৰে

মানুহৰ তিৰোতাই দুটাৰ চাউল খাব নোৱাৰে।

পানীৰ কাষত থকা মানুহে মাছৰ প্ৰকৃতি জানে।

*　　*

ধনৰ ভৰ পৰিলে তুমি মাছ খাবলৈ এৰা ; বুঢ়া হ'লে তুমি ধৰ্ম্ম-পুথি পঢ়া।

*　　*

কাণেৰে শুনা কথা চকুৰে দেখা কথাৰ নিচিনা নহয়।

*　　　　*

এঠাইৰ মঙহ কাটি আন ঠাইৰ ঘা সুগুকাবা।

*　　　　*

আটাইবোৰ তৰাৰ পোহৰো জোনৰ পোহৰৰ সমান নহয়।

*　　　　*

একে পুৰণি গাঁৱত সদায় পানী-পাচৰ পানী টোপাটোপে

*　　　　*

নাৰেৰে গ'লে হাঁহ-চিকাৰলৈ সাজু হৈ যাবা।

*　　　　*

বহুতীয় ব চল নিদিব ; সৰু ল'ৰা-ছোৱালীক নঠগিবা।

*　　　　*

কাচক ব'লি খুণ্ডৱাটো অপব্যয় মাথোন।

*　　　　*

অনুগ্ৰহ পোৱাৰ কথা পাহৰি যাবা ; আশীৰ্ব্বাদ পোৱাৰ কথা মত ৰাখিবা।

*　　　　*

হৰিণা-চিকাৰীয়ে শহা পহুৰ ফালে চকু নিদিয়ে।

*　　　　*

তোমাৰ আগত থকা আলিটোৰ বিষয়ে জানিব খুজিলে যি দিয়ে সেই আলিয়েদি গৈছে তেওঁবিলাকক সুধিবা।

*　　　　*

এটা ভুল ধাৰণাই জীৱনব্যাপী বেজাৰ দিব পাৰে।

* *

তৃষীয়া হ'লে মানুহৰ জুমৰ ভিতৰত নোসোমাবা; চুৰ্ভগীয়া হ'লে মিত্ৰিৰ-কুটুম নিবিচাৰিবা।

* *

অশুৱনী বোৱাৰী শাহুৰেকৰ চকুত ধৰা পৰে।

* *

খোৱা বস্তু আৰু কাপোৰ-কানি উভৈনদী হ'লে যোগ্যতা আৰু প্ৰভুত্বৰ সমৃদ্ধি বাঢ়ে।

* *

সৰু নৈৰ পানী পিওঁতে জৰণাৰ কথা সুঁৱৰিবা।

* *

সাত মহলীয়া পেগডা সজাতকৈ এটা মানুহৰ জীৱন ৰক্ষা কৰা বৰং ভাল।

* *

সচা দেৱতাৰ আগত মিছা ধূপ-ধুনা নজ্বলাবা।

* *

মানুহ এশ বছৰ জীয়াই নাথাকে যেতিয়া এহাজাৰ বছৰৰ কথা পাতি থোৱা মিছা।

* *

উভৈনদীয়া ঘৰ কোনেও নাপাবে।

* *

সাত ঠাইত জুই জ্বলালে আঠ ঠাইত ধোঁৱাবলৈ ধৰিব।

* *

আঙুলিৰ মূৰত ভৰ দি থিয়েৰে থাকিব নোৱাৰি, বেঁকা ভৰিৰে বেচি দূৰ খোজ কাঢ়ি যাব নোৱাৰি।

* *

দোক-মোকালিৰ পাচত প্ৰচণ্ড ধুমুহাৰ ওৰ পৰে, ধাৰাসাৰে দিয়া বৰষুণ গোটেই দিন নাথাকে।

* *

যিবিলাকে সত্যক চিনি পায়, তেওঁবিলাক সত্যক ভাল পাওঁতাৰ সমান নহয়; যিবিলাকে সত্যক ভাল পায় তেওঁবিলাক সত্যত আনন্দ লাভ কৰোঁতাৰ সমান নহয়।

* *

কাণে শুনিলে হৃদয়ে বেজাৰৰ হ'ত সাৰে।

* *

যিবিলাকে নিজৰ ওৱাদানিৰ কথা জানিব পাৰে, তেওঁবিলাকেই চহকী।

* *

ওচৰত থকা কাম-কাজত কৰ্ত্তব্যৰ পথ আছে; মানুহে দূৰত থকা কামতহে তাক বিচাৰে।

* *

তোমাৰ কথাই সন্তোষ দিব নোৱাৰিলে আদৰিনি বাদ দিবা।

কুমাৰীয়ে মাক-বাপেকৰ আনন্দৰ কাৰণে বিয়া সোমায়; ৰাঁড়ীয়ে নিজৰ সুখৰ কাৰণে বিয়া বহে।

*　　*

মেঘে বৰষিব খুজিলে আৰু মাৰাই বিয়া বহিব খুজিলে একোৱে তেওঁবিলাকক বাধা দিব নোৱাৰে।

*　　*

ওখ বস্তিৰ খুটাৰ পোহৰ দূৰত পৰে, ওচৰত নপৰে।

*　　*

টকা ধাৰে বিচৰাতকৈ পৰ্ব্বতৰ ওপৰত বাঘ ধৰা উজু।

*　　*

ধনী মানুহৰ সঙ্গ লোৱা দুখীয়া মানুহ সোনকালে ইমান ডাল-দৰিদ্ৰ হয় যে ঠেঙ্গা এটা কিনিবলৈকো তাৰ শকতি নাথাকে।

*　　*

মানুহ বা ভূতক লগ পালে সিহঁতে যেনেকৈ কথা কয়, তেনেকৈ সিহঁতৰে সৈতে কথা পাতিবা।

*　　*

বেমাৰী চাকৰক পুষ্টিকৰ আহাৰ দিবা, কিন্তু এলেহুৱা চাকৰক কেতিয়াও নিদিবা।

*　　*

যিবিলাকে ভাল ব্যৱসায় চলায় তেওঁবিলাকে কেতিয়াও টেক্স'ৰ কথা লৈ খবিয়াল নকৰে।

*　　*

কুকুৰ খেদাবলৈ বাঘক মতাৰ সকাম নাই।

*　　*

যি বোকাত থিবেবে থিয় হৈ থাকে, তেওঁ বোকাত লাগি থাকে।

* *

ঘাঁহনিত বেজী হেৰালে আলিবাটত নিবিচাৰিবা।

* *

তিৰোতাৰ অন্তঃকৰণত যেনে বিহ আছে, তেনে বিহ সেউ-জীয়া সাপৰ মুখত বা কোদোৰ হুলত নাই।

* *

নীল বোজাই কৰা নাৱত বগা কপাহী কাপোৰ পাৰ নোৱাৰা।

* *

আটাইতকৈ ওখ স্তম্ভ মাটিৰপৰা আৰম্ভ হৈ উঠে।

* *

কাম কৰোঁতে মানুহক খৰ-খেদা কৰিবা, মঙহ খাওঁতে নকৰিবা।

* *

মেকুৰীয়ে ভাত চুৰ কৰে, কুকুৰে আহি খায়।

* *

কাউৰী গোটেই জগততে ক'লা।

* *

খচ্চৰক নোদোকা কৰিবলৈ ঘোঁৰাক লখোনে থোৱাৰ সকাম নাই।

* *

ওপৰৰ মাৰলি বেঁকা হ'লে তলৰ মাৰলি ভেঙুৰীয়া হবই।

ডাঙৰ নাও-জাহাজে বাট উলিয়াই গ'লে পাচত যাবলৈ সব নাও-জাহাজৰ পক্ষে উজু হয়।

* *

দুখন নাৱত এটা ভৰিৰে থিয় দিব নোৱাৰি।

* *

প্যাচিত চুণ ভাৰ বৈ নিয়া মানুহে য'তে বয় ত'তে চিন বৈ যায়।

* *

এহাতেৰে বেলিৰ পোহৰক আঁৰ দিব নোৱাৰি।

* *

দামৰ কথা লৈ বাক-বিতণ্ডা কৰিবা, কিন্তু জোখৰ কথা লৈ তেনে নকৰিবা।

* *

গাহৰিৰ মগুহ-বেচোঁতাই গাহৰিৰ কথা ক'বলৈ সদায় ভাল পায়।

* *

লাৰ মাজত নিমজ মুকুতা পোৱা যেনে, মূৰ্খৰ চাকৰি কৰা জ্ঞানী মানুহো তেনে।

* *

এবেটা পাহাড়ে দুটা বাঘক আশ্ৰয় দিব নোৱাৰে।

* *

পোন গছ প্ৰথমে কাটি পেলোৱা হয় আৰু মিঠা নাদৰ পানীত প্ৰথমে জোৰ খানি দিয়া যায়।

দ'মাই থোৱা মঙহেৰে যদি কুকুৰক দলিওৱা 'তেন্তে আটাই-খিনি হেকৰাবাহে, একো নোপোৱা।

* *

নিজৰ বাবীত বোৱা আদা সিমান জলা নহয়।

* *

কণীবোৰ জপাই থোৱা হব্ব দিব্ব সেইবোৰৰপৰা শেহান্তত কুকুৰা-পোৱালি ওলায়।

* *

যদি কোনো মানুহে নিজৰ ঘৰত অতিথি-অভ্যাগতক নোশোধে তেন্তে দূৰলৈ গ'লে তেওঁ ক'তো আলহী হ'বলৈ নাপায়।

* *

বাঘৰ চোঙত নোসোমালে বাঘৰ পোৱালি কেনেকৈ পাবা ?

* *

পালোৱানৰ হাতৰ মুঠি অ'ক গায়কৰ ওঁঠে সহতে শিক্ষা পাব লাগে।

* *

ড্ৰগন'ৰ বিহনা কুকুৰৰ গঁৰালতকৈ ভাল নহয়।

* *

মোকৰ্দ্দমা জিকি ধন হেৰুওৱা অৰ্থাৎ মোকৰ্দ্দমাত জয় লাভ কৰিবলৈ হ'লে ধন ভাঙিবই লাগিব।

* *

বিচনী বেচা ভাল মানুহৰ শিৰোভাই কেতিয়াবা কেতিয়াবা হাতেৰে ব'দৰ তাপৰপৰা মুৰ ৰক্ষা কৰে।

* *

আগ-তুৰাবৰপৰা কোনো মানুহে বাঘ খেদাওঁতে পাৰ
কুৰাবেদি কুকুৰনেচীয়া বাঘ সোমায়।

* *

মেঘে ৰবকৈ গাজিলে বৰষুণ নিচেই কম হয়।

* *

সেন্দুৰৰ ওচৰত থকা বস্তু সেন্দুৰীয়া আৰু ক'লা চিয়াঁহি
ওচৰত থাকিলে ক'লা হয়।

* *

সময় কাঁড়ৰ দৰে আৰু দিন-মাহ মাকোৰ দৰে উৰি যায়।

* *

বুঢ়া বয়সৰ সহায়ৰ কাৰণে ল'ৰা তুলি-তালি ডাঙৰ কৰি
আৰু আকালৰ কাৰণে শস্য সাঁচিবা।

* *

কুকুৰে গিৰিহঁতৰ 'মেজাজ' বুজে।

* *

পৰ্দ্দা ফাটিলেও তাৰ আকৃতিটো থাকে; সাধুলোক নাটি
পৰিলেও তেওঁৰ গুণ থাকি যায়।

* *

কেঁকোৰাৰ জীয়েকে চৰাই-পোৱালি নজগায়।

* *

ধন-সম্পত্তি ভাল মানুহৰ প্ৰেতি বঁটাৰ দৰে হয়, কিন্তু
মানুহলৈ আপদীয়া বস্তু যেনহে হয়।

* *

ভাৱবোধ চলি যায়, কিন্তু বৰগুণ থাকে।

*   *

যি শুব নোৱাৰে তেওঁৰ মানত বিছনাখন বেয়াকৈ পৰা।

*   *

জাহাজৰ ভাৰ বোৱা পানীয়েই জাহাজ ডুবায়।

*   *

তবোৱালেৰে জুই নুখুচৰিবা।

*   *

আমি কাপোৰ-কানিত নতুনৰ মূল্য আৰু মানুহত বুঢ়া কালৰ মূল্য দেখোঁ।

*   *

একেজনী গৰুৰ দুখন ছাল গুচাব নোৱাৰা।

*   *

কোনো বেজীৰে দুটা জোঙা আগ নাই।

*   *

ভাল কাম কৰি পোৱা আনন্দৰ মাথোন ধ্বংস নাই।

*   *

বগৰী দেখিলেই পিয়াহ গুচে।

*   *

নৈত নামি মাছ মাৰিবলৈ যোৱাতকৈ ঘৰলৈ উভতি জাল গোঁঠাই ভাল।

*   *

সোঁত খৰ নহ'লে মাছে নজপিয়ায়।

*   *

জাৰ্ম্মান যোজনা

দেশখন যেনে তাৰ যোজনা-পটন্তৰো তেনে।

*   *

তাচ এজোৰ ভূতৰ প্ৰাৰ্থনা-পুথিৰ দৰে।

*   *

পকা চুলি মৃত্যুৰ ফুলৰ দৰে।

*   *

বাতি কাৰো বন্ধু নহয়।

*   *

আশাধাৰী মানুহক সৌভাগ্যই আৰু ভয়াতুৰ মানুহক দুৰ্ভাগ্যই অনুসৰণ কৰে।

*   *

যোজনা-পটন্তৰবোৰ যুগযুগান্তৰৰ জ্ঞান-গৰিমা।

*   *

অহঙ্কাৰে ঘোঁৰাত উঠি ঘৰ এৰে, কিন্তু খোজ কাঢ়ি উলটি আহে।

*   *

কথা যিমান কম হয়, প্ৰাৰ্থনাও সিমান ভাল হয়।

*   *

ধৈৰ্য্য আনন্দৰ দুৱাৰ।

*   *

চকুৱে যিহকে দেখে হৃদয়ে তাকে বিশ্বাস কৰে।

*   *

দুৰ্ভাগ্যই কেতিয়াবা সৌভাগ্য আনে।

*   *

যি ভত্তালিকে দিয়ে তেওঁ দুগুণ দিয়াৰ দৰে হয়।

*   *

দুঃসাহসেৰে চেষ্টা কৰিলে আধা-আধি জয়লাভ হয়।

*   *

কেঁচুৱা ল'ৰা-ছোৱালী নাদত ডুবাৰ পাচত তাত ঢাকনী দিয়া নিদিয়া একে কথাই।

*   *

যি একো গ্ৰহণ নকৰে তেওঁৰ ঘুৰি দিবলৈ একো নাই।

*   *

আদৰ-সম্ভাষণত একো খৰচ নহয়, অথচ বহুত মানুহে তাতে ভালেমান টকা ভাঙে।

*   *

বন্ধুহীন জীৱন সূৰ্য্যহীন জীৱনৰ দৰে।

*   *

পালন কৰাতকৈ সৰু উপদেশ দিয়াটো উজু।

*   *

প্ৰত্যেক কামকে দুবাৰকৈ কৰিব পৰা হ'লে আৰু ভাল হ'লহেঁতেন।

*   *

জীৱনৰ অন্তিম কালত মৰণৰ ব্যৱস্থা কৰি বিধাতাই কেনে জ্ঞানৰ চিনাকি দিছে!

*   *

হিংসা-দ্বেষ আটাইতকৈ বেয়া বেমাৰ।

*   *

যাৰ দৰকাৰ আছে তেওঁৰ বাহিৰে আনে (প্ৰত্যেকেই) সজ উপদেশ নো কি তাৰ ভু পায়।

*   *

দাবিদ্ৰতা দুৱাৰমুখত খিয় দিলে ভালপোৱা খিড়িকীয়েদি পলায়।

*   *

আজিৰ এদিন কালিৰ দুদিনৰ সমান।

*   *

জোখা পাত্ৰ ভৰি গ'লে বস্তু বাগৰি পৰে।

*   *

সৌন্দৰ্য্য হাতত থকা ধনৰ দৰে।

*   *

তোষামোদকাৰীৰ এহাতে পানী আৰু আন হাতে জুই থাকে।

*   *

যি ক্ষুদ্ৰ বস্তুলৈ কাণসাৰ নকৰে সি ক্ষুদ্ৰতৰ বস্তুৰপৰাও আমনি পায়।

*   *

আনৰ দান গ্ৰহণ-কৰোঁতাই নিজৰ স্বাধীনতা বেচে।

*   *

কণা মানুহক নিভুঁল বাটৰ কথা সুসুধিবা।

*   *

বতিয়াল লগৰীয়া থাকিলে বাট চুটি হয়।

*   *

মেকুৰী এটায়ো বজাক চাব পাৰে।

বিশ্বাসে বিশ্বাস আনে।

*　　　　*

কাপোৰ চাই চোলা কাটিব লাগে।

*　　　　*

খঙাল মানুহে ঠিক নেদেখে।

*　　　　*

দানশীলতাই নিজক ধনী কৰে, লোভে নিজক দুখীয়া কৰে।

*　　　　*

পকা চুলি আৰু ৰঙা ওঁঠৰ ভিতৰত কাচিৎহে বন্ধুত্ব স্থাপন হয়।

*　　　　*

এবাৰ বাট হেৰুৱাই নিৰুপায় হোৱাতকৈ দুবাৰ সুধি লোৱা বৰং ভাল।

*　　　　*

ভাল সঙ্গীয়ে নৰককো স্বৰ্গতুল্য কৰে।

*　　　　*

সৌভাগ্য যাৰ প্ৰতি সুপ্ৰসন্ন তেওঁ গোটেই জগতৰে প্ৰিয়-পাত্ৰ হয়।

*　　　　*

কপাল ভাল নহ'লে ভাবপৰা একো সহায় নহয়।

*　　　　*

সিংহাসনৰ ওচৰত ৰগুৱা বাই ফুৰাতকৈ ধূলিত লেটি লোৱা ভাল।

*　　　　*

আৰোগ্য কৰাতকৈ আঘাত কৰা উজু।

*　　　　*

হাত ঠাণ্ডা হ'লে অন্তঃকৰণ গৰম হয় অৰ্থাৎ যাৰ হাত চেঁচা তেওঁ মৰমিয়াল হয়।

* *

জুই ফু'ৱালে চকুত ফিৰিঙতি সোমাবই।

* *

প্ৰাৰ্থনা দিনটোলৈ কাঠী আৰু ৰাতিলৈ সঁচাৰৰ দৰে হয়।

* *

হিয়াত থকা অহঙ্কাৰ নিৰ্ম্মূল কৰাতকৈ বেজীৰ আগেৰে পাহাড় এটা দাঙি ধৰা উজু।

* *

যি ঈশ্বৰক বিচাৰে, তেওঁক ঈশ্বৰে কুশলে ৰাখে, যি পায় তেওঁক নহয়।

* *

অধিক শিক্ষাই যে কাৰৰ নোৱাৰে, উদাহৰণে তাতকৈ বেচি কৰিব পাৰে।

* *

যি নিজকে নিজে ঠেকুৱায়, তেওঁৰ আটাইতকৈ ডাঙৰ ক্ষতি হয়।

* *

য'ত ভালপোৱা আৰু কৰ্ত্তব্যই পৰিচালনা নকৰে তাত লাভ নাই।

* *

চৰায়ে যেনেকৈ উৰিবলৈ জন্ম লৈছে, মানুহেও তেনেকৈ কাম কৰিবলৈ জন্ম লৈছে।

* *

আমি হাবিত যেনেকৈ চিঞৰোঁ, তেনেকৈ প্ৰতিধ্বনিও হয়।

* *

ঈশ্বৰৰ চিন্তাধ বাবপৰা, ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে।

* *

য'ত হৃদয় আৰু মুখৰ সন্মিলন হৈছে, তাতকৈ ডাঙৰ সন্মিলন আৰু নাই।

*

কামে অনুসৰণ কৰিলে কথা ভাল।

* *

যি বন্ধু লাভ কৰে, তেওঁ ঐশ্বৰ্য্য-বিভূতি লাভ কৰে, যি ঐশ্বৰ্য্য-বিভূতি লাভ কৰে, তেওঁ বন্ধুও লাভ কৰে।

*

[illegible] বাতাই [illegible] হৈ থাকিলে কেতিয়াও একো অনিষ্ট নকৰে।

* *

এটা পাপে আন এটাৰ কাৰণে দুৱাৰ মেলে।

* *

[illegible] সামৰণি মাৰে।

* *

প্ৰত্যেক মানুহে নিজৰ [illegible] সোণ বুলি ভাবে।

*

বতৰ ভাল হ'লে যেয়ে সেয়ে ভাল চালক (জাহাজ আদি চলাওঁতা) হ'ব পাৰে।

*

সজ বিবেকহীন জ্ঞানতকৈ জ্ঞানহীন সজ বিবেক ভাল।

যি তিতা বস্তু খাই পোৱা নাই তেওঁ মিঠা কি নুবুজে।

* *

সত্য জীৱনৰ পানীৰ নিচিনা।

* *

স্বার্থপৰতাই নিজৰ মোনাত সকলো বস্তু ভৰায়।

* *

মাক-বাপেকে যি সূতা কাটে ল'ৰা-ছোৱালীহঁতে তাকে উঘায়।

* *

নিজৰ মাটিত যেই সেই মানুহ সম্রাটৰ দৰে।

* *

ঈর্ষ্যা তাৰ সজ পৰিয়ালৰ চুষ্টা জীয়াৰীৰ নিচিনা।

* *

দুর্ভাগ্যই এজন ভাল শিক্ষক।

* *

মাজত থকা দেওঁৱাবে প্রেমভাৱ দৃঢ়তৰ কৰে।

* *

যিজন শাসনকর্তাই ন্যায়মতে শাসন কৰিব জানে তেওঁতকৈ সুন্দৰ এই জগতত নাই।

* *

ভালপোৱাই পঁজা এটিকো সোণালী কাৰেঙত পৰিণত কৰিব পাৰে।

যিটো দিন কোনেও নহঁহাকৈ গৈছে সেই দিনটো মিছাতে গ'ল বুলি ভাবিব লাগে।

* *

যি নিজৰ কাম ভাল পায় আৰু আজৰি উলিয়াব জানে, তেওঁ য'তে ত'তে উন্নতি কৰিব পাৰে।

* *

বুদ্ধি-বৃত্তি নিজানত, কিন্তু চৰিত্র জগতৰ ঘাত-প্ৰতিঘাতত ওপজে।

* *

গৰজ অপ্রিয় আলহীৰ নিচিনা।

* *

বেমাৰীৰ থুন্‌পাকে সোনকালে আৰোগ্য হ'বলৈ নিদিয়ে।

* *

যেতেকে আইন হয় তেতেকে তাৰ হাত সাৰিবৰ উপায়ো ওলায়।

* *

যি শিকিব খোজে তেওঁ শিকক নিশ্চয় পাব।

* *

কথা'বোৰ ভূতৰ নিচিনা, সেইবোৰে কাপুৰুষক ভয় খুৱায়, কিন্তু সাহিয়াল মানুহে সদায় কাণ পাতি শুনে আৰু সেইবোৰৰ সজ ব্যৱহাৰ কৰে।

* *

সাপৰপৰা উৎপত্তি হোৱা বস্তুৰ কেতিয়াও বিহ নুগুচে।

* *

ল'ৰা-ছোৱালী আৰু মূৰ্খ মানুহে সঁচা কথা কয়।

* *

সঙ্গ বিবেকে আনন্দদায়ক চেহেৰাৰ উৎপত্তি কৰে।

* *

যি জখলাত উঠিব খোজে, তেওঁ তলৰ খাপত উঠিবলৈ আৰম্ভ কৰিব লাগিব।

* *

আমি আনকি অতি নিঃকিন জনৰপৰাও উপদেশ ল'বলৈ কেতিয়াও লাজ পাব নালাগে।

* *

গৰুৱে য'তে পায় ত'তে আহাৰ বিচাৰে।

* *

যি নিজক নিজে সহায় কৰে তেওঁক ঈশ্বৰেও সহায় কৰে।

* *

'ওট' খাওঁতে গাধই কাঁইটীয়া ঘাঁহৰ সপোন দেখে।

* *

কাম ভালকৈ আৰম্ভ কৰিলে আধা-আধি কৰা হৈ যায়।

* *

ককাই-ভাই নাহোৱাকৈ আমি জীয়াই থাকিব পাৰোঁ, কিন্তু বন্ধু-বান্ধব নহ'লে নোৱাৰোঁ।

* *

ভালপোৱাই বিপদলৈ ভয় নকৰে।

* *

যিমান দিনলৈকে সৌভাগ্য মেজৰ কাষত বহে বন্ধুবান্ধৱো তাত সিমান দিনলৈকে বহে।

* *

ভয়াতুৰ কুকুৰে ৰবকৈ ভুকে।

*   *

বুঢ়া গছ উভালি ৰোৱা অযুগুত।

*   *

ভোকেই ভাল ৰান্ধনী।

*   *

যি ডেকাকালত এলেহুৱা হয় তেওঁ বুঢ়াকালত কাম কৰিবলৈ বাধ্য।

*   *

সৌভাগ্যৰ দ্বাৰা প্ৰভাবিত নহ'বা, ই নাচিব, সঁতুৰিব আৰু উৰিব পাৰে।

*   *

বন্ধুত্ব এজুপি পুলিগছ, য'ত মাজে-সময়ে আমি পানী দিবই লাগে।

*   *

গোঁজা মাৰি থোৱা কামতকৈ কামত থকা খুঁতবোৰো কেতিয়াবা ভাল হয়।

*   *

কামৰ তিতা আলু-শিপা, কিন্তু মিঠা ফল আছে।

*   *

সজ বিবেকে কোমল গাৰু তৈয়াৰ কৰে।

*   *

নিজে প্ৰশংসা পাবলৈ হ'লে কোনো মানুহ মৰিব লাগে।

*   *

এলেহুৱা মগজ ভূতৰ কাৰখানা।

*   *

'হব পাৰে' এই কথাষাৰ আমাৰ ভাষাত আটাইতকৈ সঁচা।

*   *

আকাশত থকা চৰাইতকৈ হাতত থকা পাখিডালেই ভাল।

*   *

ৰতাহ একে ঠাইৰপৰা সদায় নবলে।

*   *

ভাল কথাত ক্ষতি কি? তাত একো খৰচ নাই।

*   *

✓সাগৰত ডুবি মৰাতকৈ বেচি ভাগ মানুহ পিয়লাত ডুবি মৰে।

*   *

বাৰে বাৰে লবাই বোৱা গছ-পুলি কেতিয়াও নিজীয়ে।

*   *

জাপ মৰাৰ আগেয়ে চাই ল'বা।

*   *

যি সদায় সোনকালে হৈ আছে বুলি ভাবে, তেওঁৰ আহোঁতে পলম হোৱাটো ধ্ৰুপ।

*   *

এলাহ আৰু লোভ দুয়ো মূৰে-লপতোৱা বন্ধু।

*   *

সময় আৰু সুবিধা কাৰো বহতীয়া নহয়।

*   *

অনুতাপ অন্তঃকৰণৰ দৰৱ।

*   *

য'ত শত্ৰু নাই তাত যুদ্ধ-কৰা নিৰাপদ।

*   *

যিটো বস্তু কামত নালাগে দানস্বৰূপে তাৰ মোল বৰ বেচি।

*   *

কথা কোৱাৰ দৰে মৌন হৈ থকাটোও এটা ডাঙৰ শিল্প-কলা।

*   *

অৰ্থ-লিপ্সাই (ধনলোভে) সংসাৰলৈ সকলো পাপ আনে।

*   *

অন্তঃকৰণতকৈ বুদ্ধিবপৰা কৰবাত কেতিয়াবাহে জ্ঞানৰ উৎপত্তি হয়।

*   *

যি ঘিণায় তেওঁক পূজো কৰিব লাগে ; যি ভাল পায় তেওঁক তাতোকৈ বেচি পূজো কৰিব লাগে।

*   *

ন্যায় কাম কৰিবা, শত্ৰুলৈ ভয় নকৰিবা।

*   *

কুসময়ৰ সঁচা কথা মিছা কথাৰ সমান বেয়া।

*   *

মৰমে হাড় নাভাঙে।

*   *

চোলাই 'মানুহ' নকৰে।

*   *

সবহ খৈলাই পাধৰ মৃত্যুৰ কাৰণ হয়।

* *

জগৎখন জনসন্তৰ অস্পষ্ট দাপোণ।

* *

ডাঙৰ 'ওক' গছত সৰু ফল হয়।

* *

ডাঢ়ি ৰাখিলে আৰু ঢিলা পোচাক অৰ্থাৎ 'আলখেলা' পিন্ধলেই দাৰ্শনিক নহয়।

* *

কোনোবাই শত্ৰু বিচাৰিলে তেওঁক অলপ টকা ধাৰে দিবলৈ ক'বা।

* *

টোপ নথকা বৰশীয়ে মাছ ধৰিব নোৱাৰে।

* *

নিকা মুখ আৰু সাধু হাতে মানুহক যেই সেই দেশলৈ লৈ যাব পাৰে।

* *

প্ৰেমত কি বিশ্বাস ওপজে তাৰ প্ৰতি সেয়ে আটাইতকৈ মহৎ।

* *

চাকৰ দেখি গিৰিহঁতৰ কথা ক'ব পাৰি।

* *

পুলি হৈ থাকোঁতে গছ বেঁকা কৰিব লাগে।

কাপুৰুষবোৰ হাজাৰবাৰ মৰে; সাহসী মানুহ এবাৰ মাথোন

* *

অভিজ্ঞতা জীৱনৰ সৰ্ব্বোত্তম শিক্ষক।

* *

নিগনি ধৰাটো সিংহৰ পক্ষে সম্মানজনক কাম নহয়।

* *

প্ৰেম, ভয় আৰু চোৰ প্ৰায় ভূতৰ দৰে।

* *

যি দুৰ্ভগীয়া হৈ ওপজে, তেওঁ যাওঁতে উজুটি খায় আৰু চিৎ পৰিলেও নাক ভাগে।

* *

সৌভাগ্যৰ ডোকা আছে।

* *

সৌভাগ্য অতি কম মানুহৰ পক্ষে, মৃত্যু বহুতৰ কাৰণে।

* *

আগতীয়াকৈ বিয়া কৰিলে ভালপোৱা সৰহ দিন থাকে।

* *

সৌভাগ্য আৰু দুৰ্ভাগ্য একেটা নাদৰে দুটা বাল্টি।

* *

মোকৰ্দ্দমাই গুচৰীয়া-পদকীয়াক চেৰেলা আৰু আইন ব্যৱসায়ীক (উকীল, মুক্তিয়াৰ আদিক) মোদোকা কৰে।

আপদ-কালত সোণৰ দৰে বিচক্ষণ বন্ধু নাই।

* *

✓যি লোক টানে-আপদে আৱশ্যকমতে সহায় কৰে তেৱেঁই মোৰ বন্ধু।

* *

ঢেৰেকনি-বিজুলী মাৰিলেই সদায় চৰণ নপৰে।

* *

প্ৰতি মানুহে প্ৰকৃতিৰ ধাৰ শুজিবই লাগিব।

* *

জ্ঞানেই আত্মাৰ সূৰ্য্যালোক।

* *

পাটৰ সূতাৰে মোটোহা বৈলা সিব নাপাগ।

* *

য'তে ত'তে প্ৰকৃতিয়ে নিজৰ চিন আঁকি থৈছে।

* *

ধনেই (finance) জাতিবিনাশকৰ স্নায়ু-কেন্দ্ৰ।

* *

কলা-বিদ্যাৰ জগৎ এখন স্বপ্ন-জগতৰ দৰে।

* *

যি ওচৰ-চুবুৰীয়াৰ লাজ লগা কথা উলিয়াব খোজে তেওঁ নিজৰ ঘৰৰ কথা ওলোৱা দেখে।

* *

সঙ্গীত মানৱ-জাতিৰ এটি মাথোন ভাষা।

নিষ্কৰ্ম্মা জ্ঞানী মানুহ মৌ নথকা মৌ-মাখিৰ দৰে ।

*　　*

কথাই কেতিয়াবা ভুকুতকৈও বেচি কাম কৰে।

*　　*

'আজিয়ে' 'কালিৰ'পৰা এটা ধাৰ কৰিব নালাগে ।

*　　*

কাঁইট নথকা গোলাপ ফুল নাই ।

*　　*

সত্য সময়ৰ জীয়াৰী ।

*　　*

দেৱালত ফুটা থাকিলে তাৰ ভিতৰেদি মানুহে দেখিব পাৰে।

*　　*

দহোটা ল'ৰা-ছোৱালীয়ে এজন বাপেকক প্ৰতিপাল কৰাতকৈ এজন বাপেকে দহোটা ল'ৰা-ছোৱালীক ভালকৈ প্ৰতিপাল কৰিব পাৰে ।

*　　*

একেবাৰে এটা কাম নকৰা মানুহ নাই, আটাইবোৰ কাম অকলে কৰিবপৰা মানুহো নাই ।

*　　*

তিৰোতাৰ হাতে সম্ভ্ৰান্ত লোকক চলায় ।

*　　*

অভিজ্ঞতা মূৰ্খৰ আৰু যুক্তিসিদ্ধ জ্ঞান (reason) জ্ঞানীলোকৰ গৰাকী ।

*　　*

আটাইতকৈ ডাঙৰ নৈবোৰ সাগৰলৈ বৈ যাবই লাগিব।

*　　　　*

মেকুৰীৰ প্ৰতি যি ধেমালি, নিগনিৰ প্ৰতি সেয়ে মৰণ।

*　　　　*

সোণৰ আগত ৰজায়ো টুপি সোলোকায় (সম্মান দেখুৱায়)।

*　　　　*

পুৰণি ঘাবপৰা সহজে তেজ ওলায়।

*　　　　*

যি যুদ্ধলৈ নাযায় তাৰ মানত যুদ্ধ এটি আমোদহে।

*　　　　*

তিতা ৰড়ীত গিলটি কৰা থাকে ।

*　　　　*

চুৰ কৰা উনি (উল) সূতাই সৰহ পৰ গা গৰমে নাৰাখে।

*　　　　*

জ্ঞানী মানুহ অতি ধনী।

*　　　　*

মানুহে সময় কিনিব নোৱাৰে।

*　　　　*

চকু-লোৰ সমান আন একো সোনকালে নুশুকায়।

*　　　　*

পতিৰোতাৰ সৌন্দৰ্য্য, ৰামধনু আৰু অৰণ্যৰ প্ৰতিধ্বনি এই তিনটি বেগতে নাইকিয়া হয়।

*　　　　*

ডাঙৰ বস্তুৱে সৰু বস্তুক ফাঁচী দিয়ে।

*　　　　*

যি নিজৰ কাৰবাৰ নচলায় তেওঁক কাৰবাৰে চলায়।

* *

সত্য চুকে-কোণে বগুৱা বাই ফুৰে।

* *

প্ৰতি মানুহকে নিজৰ দুৱাৰমুখ সাৰিবলৈ দিয়া।

* *

তিৰোতা নাথাকিলে মুনিহ গাঁৰি নোহোৱা মূৰটোৰ নিচিনা, মুনিহ নাথাকিলে তিৰোতা মূৰ নোহোৱা গাঁৰিটোৰ নিচিনা।

* *

চাকি জ্বলাই থ'ব খুজিলে তাত তুমি তেল ভৰাবই লাগিব।

* *

ডাঙৰ গছবোৰে ফলবোৰক চাঁহে বেচি দিয়ে।

* *

মুচীয়াৰৰ ঘৈণীয়েকে কেতিয়াও পূৰা (সম্পূৰ্ণ) জোতা নাপায়।

* *

ডেকাকালত যি থকুৱা সি বুঢ়াকালত মগনীয়াৰ হয়।

* *

সঁচা কথাই চুটি উত্তৰ, মিছা কথাই আওপকীয়া উত্তৰ দিয়ে।

*

প্ৰেম আৰু কাহ লুকাই নাথাকি নিজেই ধৰা পৰে।

যিটো কথা এশ বছৰৰপৰা মিছা সি সঁচা হবই নোৱাৰে।

* *

আটাইতকৈ ভাল বন্ধুও কেতিয়াবা অজ্ঞাত শত্ৰু হয়।

* *

লৰালৰিকৈ পতা বিয়া কেতিয়াও ভাল হৈ উঠিব নোৱাৰে।

* *

মুখ যিমান কুৰূপ হয় সিমানে সি দাপোণক ডাবি দিয়ে।

* *

সামান্য বস্তুৰও কেতিয়াবা সহায় কৰে।

* *

এজন পুৰণি বন্ধু দুজন নতুন বন্ধুতকৈ ভাল।

* *

বিদ্বান মূৰ্খ আটাইতকৈ ডাঙৰ মূৰ্খ।

* *

ঢোৰা কাউৰী পুহিলে সি তোমাৰ চকু কাঢ়িব।

*

বিত-চকু আৰু পকা চুলি প্ৰেমৰ বজাৰত বেয়া মান।

* *

ক্ষুদ্ৰ পাপৰপৰা ডাঙৰ পাপ ওলায়।

* *

খঙে যেতিয়া মনক কণা কৰে, তেতিয়া সত্য অন্তৰ্দ্ধান হয়।

* *

জখলাধৰোঁতা চোৰৰ দৰে বেয়া।

* *

বিচাৰকৰ একে ৰকমৰ চুথন কাণ থাকিব লাগে।

*   *

চহা খেতিয়কেও সম্ভ্ৰান্ত লোকৰ দৰে সমানে স্বৰ্গ পায়গৈ।

*   *

ডোকাত পাখি নগজে মানে উৰিব নালাগে।

*   *

যি এটা মেৰছাগলীৰ কাৰণে গোচৰ কৰে সি গাইগৰু এজনী হেৰুৱায়।

*   *

যুদ্ধৰ সময়ত চয়তানে নৰকত সৰহ ঠাই ৰাখে।

*   *

পিয়'হে পানীবপৰা মদ উলিয়ায় (পিয়াহত পানীও মদ যেন লাগে)।

*   *

টেঙা নোহোৱাকৈ মিঠা পোৱা নাযায়।

*   *

নিজে জনা আটাইবোৰ কথা নক'বা, কিন্তু তুমি কোৱা আটাইবোৰ কথা বিশ্বাস কৰিবা।

*   *

মিছা কোৱাটো ফাঁচী যাবৰ প্ৰথম খাপ।

*   *

ধৰ্ম্মৰ পৱিত্ৰতা (holiness) আৰু ধনসম্পত্তিৰ কাচিৎহে মিলন হয়।

* *

সোণ আৰু বস্তু-বেহানি হেৰাব পাৰে, কিন্তু সজ নাম চিৰকাল থাকি যায়।

* *

অনবৰত অভাৱত কটোৱা জীৱন অৰ্দ্ধ-মৃত্যুৰ দৰে।

* *

এখন যুদ্ধই আন এখন আনে।

* *

আনন্দ আৰু শোকৰ মাজত থকা দলংখন দীঘল নহয়।

* *

আগেয়ে সাৱধান কৰি দিয়া মানুহৰ আধা জীৱন ৰক্ষা কৰা হয়।

* *

যি এটা কণী চুৰ কৰে, সি সোনকালে এটা বলদ গৰুও চুৰ কৰিব।

* *

যি গাঁত খান্দে সি তাত নিজেই পৰে।

* *

মুকলি ঠাইত থকা জুইতকৈ লুকাই থকা ফিৰিঙতিলৈ ভয় বেচি।

* *

ব্যৱহাৰ কৰি থকা বস্তু চক্‌চকীয়া হৈ থাকে।

*　　　　*

বেয়া বাতৰি সদায় অতি সোনকালে আহে।

*　　　　*

প্ৰকৃতিক অতি অলপ লাগে, ধুনক বেচি লাগে।

*　　　　*

পৰিশ্ৰম সৌভাগ্যৰ জন্মদাতা।

*　　　　*

বুঢ়া বয়স এটি আহুকলীয়া আলহী।

*　　　　*

কেতিয়াও নোখোজাকৈ পৰামৰ্শ নিদিবা।

*　　　　*

সৌন্দৰ্য্য চকুৰ খাদ্য, কিন্তু আত্মাৰ বেজাৰ।

*

চোৰ আৰু মিছলীয়া মানুহ একেটা ঘৰতে থাকে।

*　　　　*

মুখ আৰু অন্তঃকৰণ আঁতৰা-আঁতৰি হৈ থাকে।

*　　　　*

বৰ মাছ বৰ পানীত ধৰিব পাৰি।

*　　　　*

এটা কাপুৰুষে দহোটা কাপুৰুষ কৰে।

*　　　　*

'আটাইবোৰ মানুহ জ্ঞানী হোৱা হ'লে জগৎখনৰ ওৰ পৰিলহেঁতেন।

*

একে সময়তে দুজনে গান গাব পাৰে, কিন্তু কথা ক'ব নোৱাৰে।

*

সাহিয়াল মানুহে নিজৰ বিষয় .শহ .ক ভাব

*

শিয়ালে এটাতকৈ বেচি গাঁত চিনে।

*

মনে মনে থকা জনতকৈ নিজন মানুহে ... পাৰে তেৰেঁই ভাল কথকা (বক্তা)।

*

টোপনিতকৈ ডাঙৰ চোৰ নাই, টোপনিয়ে আমাৰ আধা জীৱন হৰি নিয়ে।

*

ঘোঁৰাই টানিলে গাৰী যাবই লাগিব।

*

যাক সন্তুষ্ট কৰিব নোৱাৰি সেওঁ ধন নহয়।

*

সৌভাগ্যত অভিভূত নোহে ৱাটো দুৰ্ভাগ্য মাথোন

*

ধন ভালো নহয়, বেয়াও নহয়; কিন্তু সকলো তাৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে।

মানুহে নিজৰ শ্ৰেষ্ঠত্ব ভিতৰত আৰু পশুৱে বাহিৰত ধাৰণ কৰে।

*   *

ধনে কথা ক'লে সত্যই মনে মনে থাকে।

*   *

যি গাভৰুক বাঁৰী বিয়া কৰোৱা নাই, তেওঁ দুৰ্ভাগ্য কি তাক বুজা নাই।

*   *

মাতৃৰ মৰমে সন্তানৰ ভৱিষ্যৎ পথ আৱৰণ কৰে।

*   *

[illegible] বাৰীৰ ঘৰ চুৰ কৰিলে বুলি [illegible] একোডোখৰ হলেও [illegible] দিয়ে, তেওঁক [illegible] ৰক্ষা কৰে।

*   *

[illegible] যি [illegible] বাঘ [illegible] সি [illegible]।

*   *

জমিদাৰৰ মৰম নিজৰ নিচিনা ক্ষণস্থায়ী।

*   *

চহা জমিদাৰ হ'লে চহাৰতে চাল বথলিয়ায়।

*   *

'ৰফিনত' (১) সুমুমুৰাইলোক জমিদাৰক বিশ্বাস নকৰিবা।

(১) কৰৰ দিবৰ নিমিত্তে মৰাশ বন্ধ কৰা পেৰা।

*   *

✓সময়ে তোমাৰ ওচৰত মূৰ নোদোঁৱায়, তুমিহে তাৰ ওচৰত মূৰ দোঁৱাব লাগে।

*   *

মানুহক জিভাত আৰু ভতৰাক শিঙত ধৰিব পাৰি।

*   *

ধৈৰ্য, বক্তাই অটালে বেৰত আঁৰি থব পৰা এটি বাদ্যযন্ত্ৰ নহয়।

*   *

আলহীয়ে গিৰিহঁতক ধন্যবাদ দিব নালাগে, গিৰিহঁতেহে আলহীক ধন্যবাদ দিব লাগে।

*   *

প্ৰতি শিয়ালেই নেজডালৰ যত্ন লয়।

*   *

ঈশ্বৰত বিশ্বাস ৰাখি কিন্তু নিজৰ কামত মন দিবা।

*   *

যি বস্তুক সম্পত্তিৰ উত্তৰাধিকাৰী পাতে সি মূৰ্খ।

*   *

তিৰোতাৰ চুলি দ ঘল, কিন্তু জ্ঞান চুটি।

*   *

ন্যায়েৰে সৈতে ঈশ্বৰৰ ওচৰলৈ আৰু ধন লগত লৈ বিচাৰকৰ ওচৰলৈ যাবা।

*   *

চোৰৰ হাতৰ পৰা আত্মৰক্ষা কৰিবলৈ লাঠী আৰু চৰকাৰী বিষয়াৰ হাতৰ পৰা ৰক্ষা পাবলৈ 'কবল' (২) লাগে।

* *

কোৱা কথা গিলিব নোৱাৰি।

* *

চগা খেতিয়কক 'ককাই' বুলিলে সি 'বোপাই' বোলাব খুজিব।

* *

তোমাৰ কাপোৰ দহ বেলি জোখা, কিন্তু এবাৰহে মাথোন কাটিব পাৰিবা।

* *

যদি মতা কুকুৰা হোৱা, ডাক দিয়া, যদি মাইকী কুকুৰা হোৱা কণী পাৰা।

* *

ডাঙৰ [illegible] সদায় গিৰিহঁতৰ প্ৰিয় হয়।

* *

আজিকালি [illegible] 'বনাট' কাপোৰ নথকা মানুহ যেনে, ঘৈণী নথকা মানুহো তেনে।

* *

ডাঙৰ নূৰক বেচি যত্ন লবা।

* *

আনকি পানীত ডুবিবলৈ যাওঁতেও অকলশৰে যোৱাটো বেয়া কথা।

(২) এবিধ কচ-দেশীয় মুদ্ৰা।

* *

✓মৰ্মিয়াল কথা এটি পিঠা এডোখৰতকৈও ভাল।

*   *

সম্ভ্ৰান্তলোকৰ ওচৰত থেংিয়কে মোকৰ্দমা কৰিলে সম্ভ্ৰান্ত লোকৰ কথাহে সঁচা হয়।

*   *

জীৱন্ত লোকৰ পক্ষে গছৰ সৰি পৰা পাতৰ শব্দ এটিও খুচ্-খুচাই কোৱা কথাৰ দৰে।

*   *

সভা পোনপটীয়া, কিন্তু বিচাৰকসকলহে আওপকীয়া।

*   *

কেঁকোৰ মাছৰ ভিতৰত মাছ নহয়, বাদুলি, চৰাই ভিতৰত চৰাই নহয়, শিবোতা-সেকৰা, মানুহৰ ভিতৰত মানুহ নহয়।

*   *

যি ঘৰচিৰিকাৰ ভয় কৰে, সি কেঁচাধান কেতিয়াও সিচিব নোৱাৰে।

*   *

✓পিতৃৰ আশীৰ্বাদ পানীত ডুবাব নোৱাৰি, জুইৰেও পুৰিব নোৱাৰি।

*   *

ষৈহ যোৱা কথা যি মনত ৰাখে তাৰ চকু কাটিবা।

*   *

বুঢ়া কাউৰীয়ে মিছাতে 'কা-কা' নকাৰে।

*   *

ঘৈণীয়ে নিজৰ গিৰিয়েকক নামাৰি 'মেজাজেৰে' শাসন কৰে।

* *

ভয় খোৱা ফৰাচীয়ে আনকি মাইকী-ছাগলী দেখিয়েই পলায়।

* *

গাধই পাতল বোজা বৈ নিলে শুব খোজে।

* *

ভাল ঘৰৰ ঘৈণী আৰু ৰূপহ বন্ধাক'বৰ চুকুহা থাকিলে আন একো নিবিচাৰিবা।

* *

চুৰ কৰাতকৈ মাগি খোৱা ভাল; মাগি খোৱাতকৈ কাম কৰি খোৱা আৰু ভাল।

* *

লোকৰ কান্ধৰ ভাৰখন পাতল যেন লাগে।

* *

সজ বিবেক পৰমেশ্বৰৰ চক্।

* *

থাপ ভাগিলে আমি আৰু তৰোৱাল লুকুৱাই থব নোৱাৰোঁ।

* *

ঈশ্বৰক প্ৰাৰ্থনা কৰা, কিন্তু পাৰলৈকে নাৱৰ ব'ঠা মাৰি গৈ থাকা।

* *

মেজত মদ খাবা, স্তম্ভৰ আঁৰত নহয়।

*　　　　*

উপহাৰ সস্তা, কিন্তু প্ৰেম মহঙা।

*　　　　*

কুকুৰে ভুকিলে ৰতাহে উৰাই নিয়ে।

*　　　　*

ঈশ্বৰৰ লগত সাগৰলৈও যাবা, ঈশ্বৰ লগত নহ'লে দুৱাৰ-ডলিৰ পাৰ হৈ নাযাবা।

*　　　　*

সাহে একলৈ কেতিয়াও বাট নাচায়।

*　　　　*

যি বাট চাব জানে ভৱিষ্যতৰ গৰাকী তেওহে।

*　　　　*

ডেকাৰ চাবুকৰ তলত থকাতকৈ বুঢ়াৰ দাড়িৰ তলত থকা বৰং ভাল।

*　　　　*

পুৰোহিতৰ জীয়াৰী বিয়া নকৰিবা।

*　　　　*

তুমি মৰিলে তোমাৰ যশংকাৰোতাকো (যশস্যাকাৰী) কবৰ দিয়া হয়।

*　　　　*

যি আন্তৰিকভাৱে উচুপি কান্দে তাৰ দুখত আনকি কণা মানুহেও চকুলো টোকে।

*　　　　*

মৰিলে তোমাৰ সমাধিয়েই আৰামদায়ক হ'ব।

*   *

অ'ইনলৈ ভয় নকৰি বিচাৰকলৈ ভয় কৰিবা।

*   *

মেল খোৱ, মুখ কেতিয়াও ক্ষুধাতুৰ হৈ নাথাকে।

*   *

ৰে'লয়ে ৰ'দ দি থাকিলে অজানক বোনেও নিবিচাৰে।

*   *

মানুহে যি পাৰে তাকে কৰে ঈশ্বৰে যি কৰো বোলে তাকে কৰে।

*   *

পৰীক্ষা নকৰা বন্ধু নকটা বাদামৰ দৰে।

*   *

শিয়ালে টোপনিটো কুকুৰৰ সমাজিক দেখে।

*   *

বিয়া প্ৰেমৰ সমাধি-স্তম্ভ।

*   *

কুকুৰ-নেচীয়া বাঘলৈ ভয় কৰা যদি হাবিলৈ নাযাবা।

*   *

ঢোৰা কাউৰীয়ে ইটোৱে সিটোৰ চকু নাকাঢ়ে।

*   *

স্থিৰ বতৰত (ধুমুহা আদি নহলে) আনকি তিৰোতায়ো নাও চলাব পাৰে।

*   *

যাৰ ফাঁচী যাব লগা আছে সি পানীত নুডুবে।

*   *

বেকা কাঠো পোন হৈ জুইত জ্বলে।

*   *

নিগনিব ভোক নালাগিলে আটা গুড়িও তিতা লাগে।

*   *

এটা ডোমে আনটোক দূৰৰ পৰা চিনে।

*   *

মাইকী কুকুৰাই মতা কুকুৰাৰ দৰে ডাকিব নালাগে।

*   *

বুঢাৰ গাভৰু ঘৈণী, চোৱালীও নহয় নৌতাও নহয়; আৰু বাঁৰীও নহয়।

*   *

পচা মালৰো কণা গ্ৰাহক আছে।

*   *

একেটা গজালতে আটাইবোৰ বস্তু আঁৰি থব নোৱাৰি।

*   *

যেই সেই বস্তু লবিলেই (জোকৰ খলেই) নপৰে।

*   *

ঘৰ নিকিনি ওচৰচুবুৰীয় কিনা।

*   *

নাদত সুথুৰাবা—তাৰ পানী থাৰ লগাত পৰিব পাৰে।

*   *

থবা নপৰা যদি চোৰেই নোহোৱা।

*　　　　*

গাহৰিৰ নিচিনা নাকেৰে কেৰে নেমুটেঙা সুঙিব নোৱাৰে।

*　　　　*

পাটৰ কাপোৰ-কানি পিন্ধা ৰান্দৰ চিৰদিন ৰান্দৰেই।

*　　　　*

এটা চিপাহীৰে পল্টন নহয়।

*　　　　*

একেখন ৰাৰীৰে জামু।

*　　　　*

এডালি-এডালিকৈ (উভালি) গোটেই কোছা দাঢ়ি উভালিব পাৰা।

*　　　　*

নিজে ভাল চাকৰ নহ'লে ভাল গিৰিহঁতো হব নোৱাৰি।

*　　　　*

পাত্ৰ খালি হ'লে মদৰ কথা ভবা মিছা।

*　　　　*

গাহৰি-পোৱালিক যিমানেই ধুৱাই দিয়া লাগে, সি নিতৌ বোকালৈ যাবই।

*　　　　*

শুকান কাঠৰ লগত মিহলালে তিতা কাঠো জ্বলিব।

বেচোতাই এটা চকুৰে কাম চলাব পাৰে, কিনোতাক এশ চকু লাগে।

* *

খালি পৈলা বিয়হৈ থাকিব নোৱাৰে।

* *

সদপী মানুহ নীচ্ছাত থাকিলেও আন মানুহে তেওঁক কাগলয়ত থকা বুলি সদায় ভাবে।

* *

বিদ্ৰোহী বন্ধু অজ্ঞাত শত্ৰু।

* *

সুৰৰ দ্বাৰা টোকাৰী ভাল নে বেয়া বুজিব পাৰিব।

* *

আন আন দশৰ চীৰাবোৰ চিৰদিন আটাইতকৈ সুন্দৰ।

* *

খেৰ জুইৰপৰা আঁতৰাই থ'ৰ লাগে।

* *

ধন সম্পত্তি সদায় বন্ধু নহয়, কিন্তু বন্ধু সদায় ধনসম্পত্তিৰ দৰে মূল্যবান।

* *

শক্তি আৰু যশস্যাই ধনী মানুহৰ হুকুম মানি চলে।

* *

সৌভাগ্য আৰু দুৰ্ভাগ্য একেটা পিৰালিতে থাকে।

* *

মানুহবোৰ সৈতে শান্তিৰে থাকিবা আৰু তোমাৰ পাপৰ লগত দন্দ কৰিবা।

* *

য'লৈ য'ব খোজা যোৱাঁ, কিন্তু য'ত মৰণ আছে তাত মৰিবই।

* *

লাজকুৰীয়া মগনীয়া ভোকত গুচি যায়।

* *

কুকুৰ-নেচীয়া বাঘৰ লগত সখি পাতিবা কিন্তু তোমাৰ কুঠাৰ খন সাজু ৰাখিবা।

* *

শাঁখিৰ মৌ খাব খুজিলে মৌ মাখিবোৰ মাৰিবই লাগিব।

* *

খাবলৈ একো নাথাকিলে মান-সম্ভ্ৰমে ৰ কি হব?

* *

বন্ধুৱাৰ বন্ধুত্বত বিশ্বাস নকৰিবা।

* *

মাৰ খোৱা কুকুৰক লাঠী দেখুৱালেই যথেষ্ট।

* *

ধনীলোকক উপহাৰ দিয়াও যেনে, সাগৰত পানী ঢলাও তেনে।

এচামুচ্ আল্‌কাতৰাই এপিপা মো নষ্ট কৰিব।

* *

আশ্ৰয় দিয়া গছক যে'য় সেয়ে ভাল পায়।

* *

চয়তানে নিজে একো কৰিব নোৱাৰিলে তিৰোতাক দূতী স্বৰূপে পঠিয়ায়।

* *

বাংকুকুৰৰ মুখ আৰু পুৰোহিতৰ চকুক কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰি।

* *

কেঁচুৱাই নাকান্দিলে মা'ক গাখীৰ অভাৱ বুজে।

* *

জীয়াৰীক বিয়াৰ পাচত হদ-লগা (ভাগী) জোৱাঁই বহুত পোৱা যায়।

* *

চোৰেও ঈশ্বৰক প্ৰাৰ্থনা কৰে, কিন্তু চয়তানে তাৰ প্ৰাৰ্থনা ধৰি ৰাখে।

* *

শূন্যলৈ থুৰালে নিজৰ দাড়ি জঘন্য হয়।

* *

চৰাইটি সৰু, কিন্তু ঠোঁটটিত ধৰ ধৰ।

সাতজনী শুশ্ৰূষাকাৰিণী (নাৰ্চ) থাকিলে কেঁচুৱা কণা হয়।

* *

েপুৰীয়ে কাৰ মগুত খাইছে তাক নিজে জানে।

* *

ক্ষুধাতুৰ মানুহৰ মনত ৰুটিৰ কথাইহে মাথোন ঠাই পায়।

* *

কথাৰে নগৰ জয় কৰে।

*

পাপৰ গণনা নাই।

*

ভাগ্যহীন স্থানৰ সম্পদ ঘঁৰ কুকুৰ ক পুৰাব লাগিব।

* *

কোনো গাই ক'লী হ'লেও তাইৰ গাখীৰ বগা।

* *

কথা চপাই নথয়, এবাৰ উৰা যাবিলে আৰু কেতিয়াও তাক ফিৰ নোৱাৰ।

* *

একেটা ষাঁড়ৰ দুবাৰ ছাল বখলিয়াব নোৱাৰা।

* *

মামৰে লা আৰু বেশ্যাৰে হৃদয় নষ্ট কৰে।

* *

এটা ফিৰিঙতিয়ে মক্তো পুৰি ছাৰখাৰ কৰে।

* *

যি চোৰে ওচৰ চুবুৰীয়াক ডকা দিয়ে সিয়েই বেয়া চোৰ।

* *

যি চকাই (চকৰিয়ে) ৰবকৈ কেৰ্‌কেৰায় সিয়েই আটা-ভকৈ-বেয়া চকা।

* *

✓কপাল ভাল হ'লে তোমাৰ মতা কুকুৰায়ে কণী পাৰিব।

* *

নিজৰ ঘৰৰ চালেদি উকথনি পৰিলে ওচৰ চুবুৰীয়াৰ ঘৰৰ চাল নাছাবা।

* *

নাঙঠ মানুহক এডোখৰ কাপোৰ দিলে সি কাপোৰ ডোখৰ বৰ ডাঠ বুলি কব।

* *

দুটা কুকুৰে দন্দ লাগাতে তৃতীয়টোক সাৱধান হবলৈ দিয়া।

* *

মৰা মানুহ জীয়াই দিয়া যেনে মূৰ্খক শিক্ষা দিয়াও তেনে।

* *

সচা কথাক সোণালী 'কফিনৰ' ভিতৰত সুমাই পুতি থলেও সি "কফিন" ভাঙি ওলাব।

* *

সোণৰ হাতুৰীয়ে লোৰ "ছাদ" (ceiling) ভাঙিব।

বহু • পকৰাই ঘোৰা'ক। মাৰি পেলায়।

* *

সোণ কথা ক'লে আটায়ে মনে মনে থাকে।

* *

চয়তান বুঢা হ'লে সন্ন্যাসী হয়।

* *

আদালতত থকা বিচাৰক পুখুৰীৰ মাছৰ দৰে।

* *

বদনাম বয়লাৰ দৰে—ই হাত ক'ল না'ইবা ময়লা কৰে।

* *

চোৰৰ পৰা চুৰ কৰিলে সময় নষ্ট কৰা হয় মাথোন।

* *

আঁ বাগোঁজা ঘোঁৰাতকৈ মদখী ঘোঁৰা বৰং ভাল।

* *

কথা সাচিবলৈ যাওঁতে কেতিয়াবা কুকুৰাজনীও হেৰুৱাব পাৰা।

* *

প্ৰেম-বৰ্বৌতা আটাই মানুহে বিয়া নকৰে।

* *

বন্ধুত্বৰ মাত্ৰা চৰিলে তোমাৰ বন্ধুক কোনো বস্তু ধাৰলৈ দিবা।

* *

ধুনীয়া সজাই চৰাইক সুখুৱায়।

*　　　　*

আমাৰ আত্মা ঈশ্বৰৰ আৰু দেহটো "জাৰ"ৰ (সম্ৰাটৰ)।

*　　　　*

মই হাবিত ভালুক আৰু ঘৰত মাহী-আইক লগ পালোঁ।

*　　　　*

প্ৰত্যেক জাতিৰ নিজৰ জ্বৰ আছে, প্ৰত্যেক পাহাড়ৰ নিজা বাংকুকুৰ আছে।

—:০:—

ইটালী দেশীয় যোজনা।

তোমাৰ বন্ধু প্ৰশংসা কৰিবা, শত্ৰুৰ যশ বা কুযশ ৰটনা নকৰিবা।

*　　　　*

ল'বলৈ অঙ্গীকাৰ কৰা ধনে কেতিয়াও তোমাৰ ভাল নকৰে।

*　　　　*

অধিক ধনসম্পত্তিয়ে ভালেমান মানুহক মূৰ্খ কৰে।

*　　　　*

লোকক সান্ত্বনা দিওঁতে কোনো মানুহৰে মুখ নাকামোৰে।

*　　　　*

নিজক ভালকৈ শাসন কৰিব খুজিলে প্ৰতি মানুহৰে বহুত কৰিব লগীয়া কাম থাকে।

*　　　　*

পবিত্ৰতা সতীত্বৰ আটাইতকৈ বেয়া ৰকক।

* *

মৰা মানুহে জীয়া মানুহৰ চকু মেলি দিয়ায়।

*

সাহিয়াল অকল নিলাজ মানুহ আধা জগতৰ গৰাকী।

* *

যি গাধ হৈ নিজক চতুৰ বুলি ভাবে, সি খাল জীৱনৰ শেষলৈ মদ্দৌতে নিজৰ ভুল বুজিব পাৰে।

* *

আইন হওঁতে নহওঁতেই আইনৰ হাত সাৰিবৰ উপায় ওলায়।

*

স্বৰ্গৰপৰ অহা পানী আটাইতকৈ ভাল পানী।

* *

ওচৰচুবুৰীয়াৰ ঘৰত জুই লাগিলে তোমাৰ নিজৰ ঘৰলৈ পানী কঢ়িয়াবা।

* *

যি সংসাৰত কষ্ট ভুগিব নোখোজে, সি সংসাৰত উপজিবকে নালাগে।

* *

কোনো তিৰোতাক সুন্দৰী বুলিলে তাই সোনকালে মূৰ্খ হৈ পৰে।

* *

কোনো মানুহৰ হাতত থকা টুপিয়ে মানুহজনৰ কেতিয়াও অনিষ্ট নকৰে।

* *

তোমাৰ থুন্‌পাক বা মনৰ তলি উদঙাই কেতিয়াও নেদেখুৱাবা।

* *

ভাল মানুহৰ সঙ্গত ফুৰিলে তুমি তেওঁলোকৰ লেখ বঢ়াবা।

* *

বুঢ়া মানুহ এটি নথকা ঘৰ বেয়া ঘৰ।

* *

কুৰি ছিলিং ধাৰে দিয়াতকৈ এক ছিলিং এনেই দিয়া ভাল।

* *

তিৰোতা আৰু কাঁচ কেতিয়াও নিৰাপদ নহয়।

* *

যাৰ লৰাছোৱালী নাই, সি ভাল পোৱা কি তাক নুবুজে।

* *

যুদ্ধ আৰম্ভ হ'লে নৰক মেল খায়।

* *

বেয়া কিতাপ আটাইবোৰ চোৰতকৈ নিকৃষ্ট।

* *

ধৈৰ্ণী বিয়া কৰিবা আৰু ওচৰ-চুবুৰীয়াৰ ঘোৰা কিনিবা।

* *

মৃত্যুৰ কথা যিমানে ভাবা সিমানে তুমি ভালকৈ থাকিব পাৰিবা।

* *

জাহাজ ডুবিলে তাক কি উপায়ে ৰক্ষা কৰিব পৰা গলহেঁতেন সেইটো আটায়ে জানে।

* *

অস্ত্র-শস্ত্রই জগতে শান্তিও লৈ ফুৰে।

* *

ডাঙৰ গছে গুটিতকৈও টাঁহে বেচিকৈ দিয়ে।

* *

যি সবহ কথা জানে, সি কম কথা কয়।

* *

মানুহৰ নিজৰ মত কেতিয়াও ভুল যেন নালাগে।

* *

যাৰ ধৈৰ্য্য নাই তাৰ একোৱেই নাই।

* *

বিদ্বান মূৰ্খৰ সমান মূৰ্খ নাই।

* *

মানুহৰ পাপ আৰু ঋণ নিজে ভৰাতকৈ চিৰদিন বেচি।

* *

কথা কোৱাৰ নিমিত্তে বহুতে কষ্ট ভুগিছে, কিন্তু মনে মনে থকা বাবে কেৱে কষ্ট ভোগা নাই।

* *

কুকুৰে জোন দেখি ভুকিব পাৰে, তথাপি জোন আগৰদৰে থিৰেৰে থাকে।

* *

দূৰত থকা পানীয়ে ওচৰৰ জুই নুনুমায়।

* *

নিজ্জু মানুহে মাথোন কাম কৰে।

* *

ভয়ৰ পৰা ঘিণলৈ যোৱা আলি চুটি।

* *

আমি লগৰীয়াৰ খৰচত নিজ পাঠ শিকিব নোৱাৰোঁ।

* *

যি জনীয়ে কালি ভাল নাপাইছিল তাই কাইলৈ ভাল পাব।

* *

যি কোনো বস্তু হেৰালে শিক্ষা পায় তাৰ বাহিৰে লাভতে হয়।

* *

শত্ৰুক মৰিয়ালে সি তোমাৰ বন্ধুহে হ'ব।

* *

গৰজত পৰি বুঢ়া ঘোঁৰীয়েও লৰ মাৰিব লাগে।

* *

ছাই চেলেকা কুকুৰক খাটা গুড়ি ৰখিবলৈ বিশ্বাস কৰা নাযায়।

* *

যি অশুভ বিবাহ কৰে সি দুখ-কষ্টৰ হাত কেতিয়াও সাৰিব নোৱাৰে।

* *

মৃত্যু এটা চুটি শুমুনিয়াহৰ বাহিৰে আন একো নহয়।

* *

যি সহি থাকে সি জয় কৰে।

*   *

যি অধীৰ হোৱা নাই সি প্ৰেমত পৰাই নাই।

*   *

যি পু[illegible]ণী পাবলৈ আশা নকৰে সি কেতিয়াও বিপদলৈ ভয় নকৰে।

শান্ত আৰু বেয়া সাইলাখ ধুমুহা আৰু শিল বৃষ্টি।

*   *

যি বেছি ভাল পায় সি কম কথা কয়।

*

যি দন্দ ল [illegible] ল বিচাৰি [illegible] সি ওচৰ[illegible] [illegible] পায়।

*   *

যি কুকুৰ-নেচ গা বাৰ্ধ লগত থাকে সি ভুকিবলৈ শিকে।

*   *

কাউৰীয়ে আন কাউৰীৰ চকু নোখাটে।

*   *

যি স্পষ্টকৈ কথা নকয় সি বোবাতকৈও সাতচাৰ।

*   *

জামু খাবলৈ শিয়ালৰ স্পৃহা নাই, কাৰণ সি গছত উঠিবলৈ শিকা নাই।

*   *

চিকাৰ যুদ্ধৰ প্ৰতিমূৰ্তি।

*   *

ভাল বস্তুৰ বেয়া বস্তুতকৈ কম খৰচ হয়।

*   *

চালগমৰ পৰা ভেজ নোলায়।

*   *

অট্টালিকা সাজিলে সম্পত্তি নষ্ট কৰা হয়।

*   *

পৰ্ব্বতক শলাগি ভৈয়ামত থাকিবা।

*   *

বেয়া লগৰীয়াৰ লগত ফুৰাতকৈ অকলশৰে থকা ভাল।

*   *

বিপদ ওপৰা হ'বলে সাধু-সন্যাসীক ঠগা হয়।

*   *

তিৰোতাই হাবিৰৈল প্ৰতিৰোধ কৰে, অৰ্থাৎ গাবিৰ নোখোজে।

*   *

টোপনি আহিলে সম্ভ্ৰান্ত লোক আৰু দোকানীৰ মাজত কোনো প্ৰভেদ নাই।

*   *

ৰঙৰ ওপৰত মতামত দিবলৈ কণাৰ কোনো এক্তিয়াৰ নাই।

*   *

একে ঘাপতে 'ওক'গছ নপৰে।

*   *

মৰা সিংহতকৈ জীয়া কুকুৰ ভাল।

*   *

যি আহাৰৰ লগত দন্দ কৰে সি সৰহদিন জীয়াই নাথাকে ।

*　　　　*

যি নতুন সি চিৰ সুন্দৰ ।

*　　　　*

দুখীয়াই ধনীক দান কৰা দেখি চয়তানে হাঁহে ।

*　　　　*

আমি সাতবাৰ দাগ দি এবাৰ মাথোন কাটিব লাগে ।

*　　　　*

দুৰ্দান্ত মানুহবোৰ কাচিৎহে দুখীয়া হয় ।

*　　　　*

যি ঠিক মুহূৰ্ত্ত হেৰুৱায় সি সকলো হেৰুৱায় ।

*　　　　*

এটা চকু ভঙা কেৰাহীত, আনটো মেকুৰীত ।

*　　　　*

গিৰিহঁতৰ চাকৰ যিমান বেচি হয়, শত্রুও সিমান বাঢ়ে ।

*　　　　*

এটা মূৰ্খই এশটা মূৰ্খ কৰে ।

*　　　　*

ওৰণিয়ে ঢকা সৌন্দৰ্য্য আটাইতকৈ সুমধুৰ ।

*　　　　*

নিজৰ মেজত এচকল কটি আৰু নহক খোৱাটো আনৰ ঘৰত ৰজাৰ ৰকমৰ খাদ্য খোৱাতকৈও ভাল ।

*　　　　*

এখন তৰোৱালে আনখন খাপত ৰাখে ।

*　　　　*

বিদেশী যোজনা বা পটন্তৰমালা

যি দুৰাশা এৰি দিয়ে তেওঁ বৰ লাভৱান হয়।

*　　　　*

কথা শুনাৰ পৰা জ্ঞান জন্মে; কথা কোৱাৰপৰা অনুতাপ জন্মে।

*　　　　*

যি ভীষণ প্ৰতিশোধ ল'ব খোজে, সি সেই কাম ঈশ্বৰলৈ এৰি দিব লাগে।

*　　　　*

জুইৰ ওপৰত জুই যেনে, মদ আৰু যৌবনো তেনে।

x　　　　*

শিক্ষক নোহোৱাকৈ বদ্‌গুণ শিকিব পাৰি।

*　　　　*

কু-ৰীতিৰ ঠেং ভাঙিবা।

*　　　　*

তৰোৱালে বহুত হত্যা কৰে মদে তাতকৈও বেছি হত্যা কৰে।

*　　　　*

যি ঈশ্বৰক লেখত নলয়, সি কেনেকৈ লেখিব লাগে তাক নাজানে।

*　　　　*

যাৰ কুকুৰাৰ পেটত জন্ম, সি আঁচুৰিবই।

*　　　　*

যি দীৰ্ঘজীৱী হ'ব খোজে, সি কেতিয়াবা কেতিয়াবা জীৱন ধাৰণৰ দস্তুৰ সলাব লাগে।

*   *

সৌন্দৰ্য্য আৰু মূৰ্খতা একে লগে লগৰি যায়।

*   *

লবালৰিকৈ কৰা প্ৰশ্নৰ লাহে-ধীৰে উত্তৰ দিবা।

*   *

প্ৰেমত পৰিলে ভাল বেয়া বিবেচনা শক্তি নাথাকে,

*   *

খং উঠিলে উপদেশ নাথাকে।

*

দূষিত পানীয়ে নৈখন ডাঙৰ কৰে।

*   *

যি এবছৰৰ ভিতৰতে ধনী হব খোজে, সি ছমাহতে ফাঁচী যায়।

*   *

বজাৰলৈ সোণকালে আৰু যিমান পাৰা পলমে ৰণলৈ যাবা।

*   *

যাৰ কপাল ভাল সি জ্ঞানী বুলি পৰিগণিত হয়।

*   *

ছাপাখানা ভুল-ভ্ৰান্তিৰ মাক।

আৰবী যোজনা।

মিলনৰ আলিঙ্গন বিদায়ৰ আলিঙ্গনতকৈ ভাল।

*　　*

মেকুৰীয়ে কণা হলেও নিগনি ধৰিবলৈ হেপাঁহ কৰে।

*　　*

মতলীয়া মানুহক দিনৰ আহাৰ দিবা, কিন্তু মদৰ অলপ বাগীয়ে ধৰা মানুহক ৰাতি আহাৰ নিদিবা।

*　　*

নঁটা নোহোৱাকৈ গান গোৱা লগত সুগন্ধি নথকা মৰাশৰ দৰে।

*　　*

ঈশ্বৰে পৰুৱাক বিনাশ কৰিব খুজিলে তাৰ গাত পাখি গজিবলৈ দিয়ে।

*　　*

আজি জুই হলেও কাইলৈ ছাইত পৰিণত হবই।

*　　*

অভিপ্ৰায়ৰ উন্নতি কৰিলে তুমি আনকি মৰুভূমিতো নিৰ্ভয় মনেৰে শুব পাৰিবা।

*　　*

গিৰীয়েক কটিয়াল, অথচ ঘৈণীয়েক ভোকত টোপনি যায়।

*　　*

ভেঙুক নৈত পেলাই দিয়া যদিও মুখত মাছ এটা লৈ উঠিব।

* *

জিভা ডিঙিৰ শত্ৰু ।

* *

যি নাদৰ পানী খোৱা, তাত শিল নেপেলাবা।

* *

বন্ধুক চিৰদিনৰ নিমিত্তে হেৰুৱাতকৈ তেওঁৰ লগত কৰা আচৰণত ধৈৰ্য্য ধৰি থাকিবা।

* *

মুখক খুৱালে চকুৰ লাজ লাগিব।

* *

ভাল কাম নকৰিলে বেয়াটো দেখিবলৈ নোপোৱা।

* *

আমাৰ অতি দৰকাৰী বস্তুটোৰ কোনো দোষ নাথাকে।

* *

মেকুৰীয়ে মাথোন নিগনিৰ হে সপোন দেখে।

* *

সাহ নহ'লে কোনো ধৰ্ম্মই নাথাকে।

* *

যি গছে তোমাক ছাঁ দিয়ে তেনে গছ কাটিবলৈ হুকুম নিদিবা।

* *

ঘোৰাৰ কেশৰত সন্মান থাকে।

* *

বহুত দুখৰ সন্তৰণৰ লাভতকৈ খিতাতে থোৱা লোকচান ভাল।

*   *

গোলাপফুল কেতিয়াবা বান্দৰৰ ভাগতো পৰে।

*   *

প্ৰেম, পৰ্ব্বত আৰু উট-আৰোহী, এই তিনটি কেতিয়াও লুকাই নাথাকে।

*   *

দুস্ট বান্দৰ যেতিয়া ক্ষমতাশালী হয় তেতিয়া তাক নমস্কাৰ কৰিবা।

*   *

যেতিয়া তুমি নিয়াৰী হৈ থাকা, তেতিয়া ধৈৰ্য্য ধৰি থাকিবা; যেতিয়া হাতুৰী হোৱা কোবাবা।

*   *

কান্দুৰা মেকুৰীয়ে এটা ধৰিব নোৱাৰে।

*   *

যি খিৰিকায়েদি ঢুকি ওলায় তাক বন্ধ কৰিবা।

ভুচুঙৰ চঁও ভুং।

*   *

ধাৰ কৰি পাৰবৈল দিয়াটো বৰ লাজৰ কথা।

*   *

মূৰৰ কাণেৰে কোনো বস্তু ধৰিব নোৱাৰিলে নেজৰ কাণে ধৰিবা।

*   *

লোভ ধনী মানুহৰ শাস্তি।

*　　*

কৈ পেলোৱা কথা, এৰি দিয়া শৰ, বিধিৰ বিধান আৰু অতীত সময়, এই চাৰিটা ওলোটাই আনিব নোৱাৰি।

*　　*

জ্ঞানীক শিকাবলৈ লাগে চকুৰ ঠাৰ, মূৰ্খক লাগে লাথি।

*　　*

উপলক্ষ্যৰ ভাৰৰ দৰে ভুঁ ভৰি যায়।

*　　*

মাখিয়ে গাখীৰ বেচোতাৰ মুখ চিনে।

*　　*

মাকৰ চকুত গুবৰুৱাও সুন্দৰ।

*　　*

জনতাৰ মাজত দিয়া উপদেশ ঘিণ লগা বস্তুৰ দৰে

*　　*

[illegible] শান্তিও নাই।

*　　*

মাইকী মানুহৰ ভাবনা ধাৰাৰ আৰম্ভ হয় আৰু ছাইত অন্ত হয়।

*　　*

ধনী কিপিণ দুখীয়া মানুহতকৈও দুখীয়া।

*　　*

যি কেতিয়াও নৰিয়া পৰা নাই তেনে মানুহ ভাল চিকিৎসক হব নোৱাৰে।

*　　*

মুখেৰে প্ৰাৰ্থনা কৰে, হাতেৰে বধ কৰে।

*   *

প্ৰেম অন্ধতাৰ লগৰীয়া।

*   *

তোমাৰ শাহুৱেৰা দন্দুৰী নে? তেওঁৰ জীয়েকক 'তালাক' দিয়া।

নাপিতে মাউৰা ল'ৰাৰ গালত খুৰাবলৈ শিকে।

*   *

গাধই শিং বিচাৰি যাওঁতে কাণ দুখনো হেৰুৱালে।

*   *

/ জগৎখন এটা মৰাশ আৰু তাক বিচাৰি ফুৰা মানুহবোৰ বুৰুৰ।

*   *

মকালৈ প্ৰায়ে গোৱা উট, সৰশেষত লেঙেৰা হৈ ঘূৰি আহিব

*   *

কাউৰী যদি তোমাৰ বাট দেখুৱাওঁতা হয় তেন্তে সি তোমাক মৰাশৰ গুৰিলৈ নিব।

*   *

মন যদি কণা হয় চকু দুটাও একো কামত নালাগে।

*   *

মূৰৰ (Moor) ঘৰত আৰবী কথা নকবা।

*   *

মানুহে গোটায়. সময়ে ছেদেলি-ভেদেলি কৰে।

*   *

এচকু কাণী দৈপাঁয়ে গিৰিয়েকলৈ যিহকে বাদ্ধে সি তাকে খায়।

*   *

খণ্ডক শাসন কৰাটোৱেই হৈছে আটাইতকৈ ডাঙৰ শাসন পদ্ধতি (গৱৰ্ণমেণ্ট)।

*   *

এলেহুৱা মানুহৰ ঠেং নাই।

*   *

ৰজাৰ বাইক্ (বাক্য) বাইকৰ ৰাণী।

*   *

বৰষুণ নোহোৱা ডাৱৰ যেনে, নিকৰ্ম্মা বিদ্বান লোকো তেনে।

*   *

যি অকলশৰে খায়, তেওঁ অকলে কাহে।

*   *

মতলীয়া মানুহে বিনা কাৰণত (অবাৰত) হাঁহে।

*   *

তৰোৱালে গাত ঘা লগায়, কিন্তু কথাই আত্মাক ঘাইল কৰে।

*   *

নৰকত বিচনা নাই।

*   *

আজি মোক হাতত ধৰি নিলে কাইলৈ তোমাক ভৰিত ধৰি নিম।

*   *

'বেড়ুইনক' খুৱালে-বুৱালে সি তোমাৰ কাপোৰ-কানি চুৰ কৰিব।

*   *

অনবৰত দন্দ কৰি থকাতকৈ, অত্যাচাৰী হুলতানো ভাল।

*   *

ধূৰ্ত্ত-দগাবাজইতৰ ওপৰত চলাব নোৱাৰিলে কোনো জুৱাচুৰিয়েই সম্পূৰ্ণ নহয়।

*   *

এটা গাঁত থকা নিগনি ততালিকে ধৰিব পাৰি।

*   *

ভাল মদে আত্ম প্ৰশংসা কৰে।

*   *

যাবেপতি লৰাই ৰোৱা গছে গা বৰিব নোৱাৰে।

*   *

শুনা কথা আধা মিছা।

*   *

সোণকালে পকিলে সোনকালে পচে।

*   *

মৌ-মাখিয়ে যত মৌ চোহে, মকৰাই তাত বিহ চোহে।

*   *

গাহৰিৰ আগত গোলাপফুল নেপেলাবা।

*   *

উচ্চাকাঙ্ক্ষী মানুহ মাত্ৰেই বন্দী আৰু লুভীয়া মানুহ মাত্ৰেই ভিকহু হয়।

*   *

''যি পিচত যশস্যা থৈ যায়, তেওঁ অমৰ।

*   *

এটা কথাই এখনতকৈ বেছি যুদ্ধৰ সৃষ্টি কৰিছে।

*   *

জিভাৰ বাধ্য হ'লে অনুতাপ হয়।

*   *

জ্ঞানীলোকৰ জিভা অন্তঃকৰণত আৰু মূৰ্খৰ অন্তঃকৰণ মুখত আছে।

*   *

কাপুৰুষলৈ বাতিয়েই স্বৰ্গ।

*   *

জিভাৰ কাষত মূৰ্খৰ উত্তৰ থাকে।

*   *

কুকুৰৰ কান্দোনলৈ সৰগৰ দেৱতাই কটাহিত ৰবে নে ?

*   *

যিখন নগৰত ক'কো নিচিনা, তাত যি ইচ্ছা তাকে কৰা।

*   *

অন্ধলাৰ দেশত এচকু কণাই সুন্দৰ।

*   *

ধাৰে দুইখন গালকে ক'লা কৰে।

*   *

কোনো মানুহক টকা ধাৰ দি যদি তাৰ লগত চুপতি কৰা, তেন্তে নিজৰ টকা হেকৱাবা।

*   *

খাপত থাকিলেও তৰোৱালে ভয় খুৱায়।

*   *

যিহকে মন যায় তাকে খোৱাঁ, কিন্তু আনৰ দৰে সাজ-পাৰ পিন্ধা।

*   *

অন্তঃকৰণ হৈছে জিভাৰ ধন-ভঁৰাল।

*   *

দৰিদ্ৰতা আৰু খং মিলি-জুলি নাথাকে।

*   *

তোমাৰ শত্ৰুৰ পৰা গুপ্ত কথা লুকাব খুজিলে মিত্ৰৰপৰাও লুকাই ৰাখিবা।

*   *

হৈ যোৱা ঘটনা আদিৰ উল্লেখ কৰা অনুচিত।

*   *

/প্ৰাৰ্থনাকাৰীৰ লগত থাকিলে প্ৰাৰ্থনা কৰিবা; গায়কৰ লগত থাকিলে গান গাবাই।

*   *

আগেয়ে খায়ন, পাচে কথন-মথন।

*   *

যি নিজৰ গুপ্তকথা প্ৰকাশ নকৰে তাৰ উদ্দেশ্য সিদ্ধি হয়।

*   *

✓যাৰ হাত খালি তাৰ কোনো বন্ধু নাই। ✓

*   *

অহা-যোৱা কৰা ঠেক বাটত কোনো ককাই-ভাই বা বন্ধু-বান্ধৱ নাই।

'পেটৰ সংস্রৱ য'ত আছে তাৰপৰা জ্ঞানে আঁতৰি যায়।

* *

মূৰ্খৰে সৈতে বন্ধুতা কৰাতকৈ জ্ঞানীৰে সৈতে শত্ৰুতা কৰা ভাল।

* *

চকুৱে নেদেখিলে অন্তঃকৰণে বেজাৰ নকৰে।

* *

সিংহৰ খাদ্যই বাংকুকুৰৰ অজীৰ্ণ কৰে।

* *

যি নাথাকিলেও ধন-সম্পত্তি বিচাৰে, তেওঁ চালনীৰে পানী কঢ়িয়াই নিয়াৰ দৰে হয়।





